Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, MAY 7, 2025 ■ বুধবাৰ, ২৩ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১২৯ Guwahati, Assam ।। মূল্যঃ এটকা

## পঞ্চায়ত নিৰ্বাচন
## আজি ১৩ জিলাত দ্বিতীয় পৰ্যায়ৰ ভোট

ই-সংবাদ, ৬ মে': বুধবাৰে অনুষ্ঠিত হ'ব অসম পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোট গ্ৰহণ। ৰাজ্যিক ৮ পৃষ্ঠাত চাওক

## বিদ্যুৎ বিলত সকাহ, জীৱনধাৰা গ্ৰাহকৰ বাবে শুল্ক ৰেহাই হিমন্তৰ
### ৰাজ্যিক কেবিনেট বৈঠকত সিদ্ধান্ত গ্ৰহণ

টিহুত নিৰ্মাণ হ'ব বিলাতী সুৰা উদ্যোগ



ই-সংবাদ বিশেষ, ৬ মে': সোমবাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অনুষ্ঠিত হৈ যায় অসম শেষাংশ ৩ পৃষ্ঠাত

## এপিএছচি কেচৰ ৰাজসাক্ষী মৃগেন শইকীয়াৰ আকস্মিক মৃত্যু




ই-সংবাদ, ৬ মে': মঙলবাৰে পুৱাই শেষ নিশ্বাস ত্যাগ কৰে ডাঃ মৃগেন ৩ পৃষ্ঠাত চাওক

## পেহেলগাম আক্ৰমণক লৈ বিস্ফোৰক দাবী কংগ্ৰেছ প্ৰধানৰ
# আক্ৰমণৰ ৩ দিন পূৰ্বেই তথ্য লাভ কৰিছিল মোদীয়ে!

■ চোৰাংচোৱাৰ তথ্যৰ বাবেই বাতিল কৰা হৈছিল প্ৰধানমন্ত্ৰীৰ শ্ৰীনগৰ ভ্ৰমণ

নতুন দিল্লী, ৬ মে': জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত নৃশংস সন্ত্ৰাসবাদী আক্ৰমণৰ তিনিদিন পূৰ্বেই এই আক্ৰমণৰ তথ্য লাভ কৰিছিল ৩ পৃষ্ঠাত চাওক

## 'অপাৰেশ্যন সিন্দুৰ' নিশা দিলে প্ৰত্যুত্তৰ



বিতং বাতৰি ১৭ পৃষ্ঠাত



ডাল হ্ৰদত এছডিআৰএফৰ অনুশীলন

## ৰেবছাইটত প্ৰকাশ ন্যায়াধীশৰ সম্পত্তি তালিকা

নতুন দিল্লী, ৬ মে': ৰাজহুৱা কৰা হ'ল উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ সম্পত্তিৰ ৭ পৃষ্ঠাত

## গোৰেশ্বৰত সন্ধানহীন মহিলা, হত্যাৰ সন্দেহ

ই-সংবাদ, ৬ মে': বিটিআৰৰ গোৰেশ্বৰত এগৰাকী নিৰুদ্দিষ্ট বিবাহিত মহিলাৰ ৭ নং পৃষ্ঠাত

### বিৰোধীৰ মাজত যুঁজ-বাগৰ, বিস্ফোৰক অভিযোগ দেৱব্ৰতৰ
## 'ৰাজনৈতিকভাৱে মোক নিঃশেষ কৰিব বিচাৰিছে অখিলে'



গুৱাহাটী, ৬ মে': ৰাজ্যত অব্যাহত থকা পঞ্চায়ত নিৰ্বাচনৰ উত্তাপৰ মাজতে চৰম পৰ্যায়ত উপনীত হৈছে কংগ্ৰেছ আৰু ৰাইজৰ দলৰ ৪ পৃষ্ঠাত

## যুদ্ধকালীন প্ৰস্তুতি! অসমৰ ২০টা স্থানত আজি কৰা হ'ব যুদ্ধৰ আখৰা

গুৱাহাটী, ৬ মে': ভাৰত আৰু পাকিস্তানৰ মাজত ক্ৰমবৰ্ধমান উত্তেজনাৰ পৰিপ্ৰেক্ষিতত দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশলৈ এক ৩ পৃষ্ঠাত

## পাৰিষদ মাচুমা গেৰুৱা হ'ল! অখিলৰ সংগ এৰি বিজেপিমুখী 'কা' আন্দোলনকাৰী প্ৰাঞ্জলো

গুৱাহাটী, ৬ মে': পঞ্চায়ত নিৰ্বাচনৰ ধামখুমীয়াৰ মাজতে গেৰুৱা হ'ল পাৰিষদ মাচুমা বেগম আৰু অখিল গগৈৰ ঘনিষ্ঠ সহযোগী তথা ছাত্ৰ মুক্তি শেষাংশ ৪ পৃষ্ঠাত






### বিহাৰত সস্তেদ অসমৰ ২ ছাত্ৰীৰ
## ৰ'মেন ট্ৰেফিকিঙৰ জালত পৰাৰ সন্দেহ



ই-সংবাদ, শুৱালকুছি, ৬ মে': কামৰূপৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত শিঙিমাৰীৰ মাজৰচুপাৰ পৰা নিৰুদ্দেশ হোৱা ৭ পৃষ্ঠাত

## মৰাণ জনগোষ্ঠীক লৈ বিৰূপ মন্তব্যৰ শাস্তি
# আইন হাতত তুলি লৈ বিজেপি নেতাক মুণ্ডন

ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৬ মে' : অসমৰ অন্যতম আদিম ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীক বিৰূপ মন্তব্য কৰি একাংশ ৫ পৃষ্ঠাত



## মুখ্যমন্ত্ৰীৰ আশ্বাস
## খিলঞ্জীয়া মুছলমানৰ বাবে হ'ব জাতিপিয়ল

ই-সংবাদ, ৬ মে': ব্ৰহ্মপুত্ৰ উপত্যকাৰ গৰিয়া-মৰিয়া, দেশী, ছৈয়দ আৰু জোলহা (জুলহা) সম্প্ৰদায় তথা ৮ পৃষ্ঠাত চাওক

## নাম সলনি

I, Kaichani Bibi, W/O. Amzad Ali D.O.B.- 1st January, 1967 , residing at Village-Chagalchara Pt-1, P.O.- Howrarpar, P.S- Dhubri, Dist.- Dhubri, Assam, have changed my name to Kaisani Bibi as per Affidavit No. IN - AS56495456586897X dated 23-April-2025, for all future purposesfor all future purposes.


www.newsnextone.com
e সংবাদ
অনলাইন এজেণ্টৰ আৱশ্যক
আজিৰ এই ডিজিটেল যুগত হাতত থকা মোবাইলৰ পৰাই চলাওক বাতৰি কাকতৰ এজেন্সি
আবেদন কৰক
কমিছন তথা অন্যান্য বিষয় সম্পৰ্কে জানিবলৈ হোৱাটছএপ কৰক...
৯৩৬৫২২৫২৪৮
স্থানসমূহঃ
ডিব্ৰুগড়, যোৰহাট, গোলাঘাট, তিনিচুকীয়া, শিৱসাগৰ, মাজুলী, শদিয়া, দুলীয়াজান, বঙাইগাঁও, জাগীৰোড, হোজাই, কোকৰাঝাৰ, সোণাৰি, লখিমপুৰ, ধেমাজি, চকুৱাখনা, মৰাণ, নাজিৰা, তেজপুৰ, বিশ্বনাথ, ধুবুৰী, তামুলপুৰ, খাৰুপেটীয়া, কাজলগাঁও, ওদালগুৰি, মঙলদৈ, গোৱালপাৰা, নলবাৰী, মৰিগাঁও, ডিফু, নগাঁও, বৰপেটা, হয়গাঁও, বড়িয়া, মৈৰাবাৰী, বজালী


## ৱেবছাইট ডিজাইন

যিকোনো ধৰণৰ ৱেবছাইট ডিজাইনিং, ৱেবছাইট আপগ্ৰেড কৰা আদিৰ বাবে যোগাযোগ কৰকঃ 98644-21357।

## ছ'চিয়েল মিডিয়া

ৰাজনৈতিক দল, ব্যৱসায়িক প্ৰতিষ্ঠান আদিৰ ছচিয়েল মিডিয়াৰ যিকোনো কামৰ বাবে যোগাযোগ কৰকঃ দ্য গ্ৰোথ গাইড, ফোনঃ 7002342103


বিজ্ঞাপন বুক কৰক
+৯১ ৯১০১৬-৬০১৮৫

১ টকাত এখন দৈনিক বাতৰি কাকত হাতৰ মুঠিতেই প্ৰতিদিনে পুৱা
ডিজিটেল যুগৰ ডিজিটেল বাতৰি কাকত
পুৱাই আপোনাৰ WhatsAppত পাবলৈ যোগাযোগ কৰক
+৯১ ৯১০১৬-৬০১৮৫
বছৰি মাত্ৰ ৩৪৯ টকা | এমাহত ৫০ টকা

FSSAI LICENSE NO.: 10324999000031
Sewaguri GOLD™
GARDEN FRESH ASSAM CTC TEA
SARU SEWAGURI, BARPATHAR,
GOLAGHAT, ASSAM, PIN :785602


# নাজিৰাৰ অগপৰ নেতা ৰেকিবুজ জামানৰ বিয়োগ



**ই-সংবাদ, মথুৰাপুৰ, ৬ মে':** অসম গণ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ প্ৰাক্তন সদস্য, নাজিৰা অগপ জিলা পৰিষদৰ প্ৰাক্তন সম্পাদকৰ লগতে জন্মলগ্নৰ সদস্য, নিষ্ঠাৱান সক্ৰিয় কৰ্মী তথা অসমৰ বিশিষ্ট কবি আনিছ উজ জামানৰ ভতিজা ৰেকিবুজ জামানে (৭৪) সোমবাৰে চৰাইদেউ বামুণবাৰীৰ নিজা গৃহত ইহলীলা সম্বৰণ কৰে। এগৰাকী খেতিয়ক হিচাপে কৰ্মজীৱন অতিবাহিত কৰা ৰেকিবুজ জামান অগপ দলৰ প্ৰতিটো দলীয় কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি দলটোৰ প্ৰতি নিষ্ঠাৰে কাম কৰি গৈছিল। ৰেকিবুজ জামানৰ মৃত্যু অসম গণ পৰিষদ দলটোৰ বাবে অপূৰণীয় ক্ষতি হিচাপে সদায় চিহ্নিত হৈ ৰ'ব বুলি দলৰ নেতৃবৃন্দই মন্তব্য কৰে। তেওঁৰ মৃত্যুত অসম গণ পৰিষদৰ বিষয়ববীয়া, কৰ্মকৰ্তাই দলীয় পতাকাৰে শেষ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে স্থানীয় বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ বামুণবাৰী জামে মছজিদ পৰিচালনা কমিটীৰ সভাপতি হিচাপে ৭ বছৰ ধৰি দায়িত্ব গ্ৰহণ কৰি আহিছিল। সোমবাৰে সন্ধিয়া অজস্ৰ গুণমুগ্ধৰ উপস্থিতিত বামুণবাৰী ৰাজহুৱা কবৰস্থান প্ৰাংগণত তেওঁৰ জানাজা নামাজ সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ তিনি পুত্ৰ আৰু তিনিগৰাকী কন্যাৰ লগতে বহুতো আত্মীয়-স্বজন আৰু গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়।


আল্ফা বিষ্ট্ নিউট্ৰিচন
ALPHA BEAST NUTRITION
(TRUSTED SOURCE FOR NUTRITION)
Your One-Stop Supplement Store
All Genuine Supplement, Fitness Clothing & GYM Accessories
+91 99540 31090 Alpha Beast Nutrition nutrition.alphabeast
Kabita Mansion, 1st floor, Opp. Gauhati Commerce College, Rajgarh Link Road, No.1 Ghy-03, Assam





## পদ খালী

TI PROJECT BRD AROGYA ৰ বাবে M&E cum Accountant ৰ প্ৰয়োজন । নুন্যতম স্নাতক লগতে গণিত/অৰ্থনীতি/বাণিজ্য উত্তীৰ্ণ প্ৰাৰ্থী গৰাকী দৰং জিলাৰ স্থায়ী বাসিন্দা হব লাগিব । অহা ইং ১৫ মে' ২০২৫ তাৰিখৰ ভিতৰত তলৰ মেইল আইডিত বায়'ডাটা প্ৰেৰণ কৰিব পাৰে। বায়'ডাটা প্ৰেৰণ কৰিবলগীয়া ই-মেইলঃ brd.arogya@gmail.com যোগাযোগ নম্বৰঃ +91 7002091171.


বিজ্ঞাপন বুক কৰক
+৯১ ৯১০১৬-৬০১৮৫

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আক্ৰমণৰ ৩ দিন পূৰ্বেই তথ্য লাভ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এই চাঞ্চল্যকৰ দাবী উত্থাপন কৰিছে কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে। তেওঁ কয় যে চোৰাংচোৱা সংস্থাই তেওঁক এই আক্ৰমণৰ সম্ভাৱনাৰ বিষয়ে অৱগত কৰিছিল, আৰু সেই তথ্যৰ ভিত্তিতে প্ৰধানমন্ত্ৰীয়ে শেষ মুহূৰ্তত শ্ৰীনগৰ ভ্ৰমণ বাতিল কৰিছিল। কিন্তু আক্ৰমণ সম্পৰ্কে পূৰ্বেই তথ্য লাভ কৰাৰ পিছতো কিয় প্ৰশাসনে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ নকৰিলে সেই প্ৰশ্ন উত্থাপন কৰিছে খাৰ্গেয়ে। আক্ৰমণৰ প্ৰায় দুসপ্তাহৰ পাছত মঙলবাৰে খাৰ্গেয়ে কয়, "চৰকাৰে চোৰাংচোৱাৰ বিফলতা মানি লৈছে। তেওঁলোকে এই বিফলতা শুধৰণি কৰিবলৈ চেষ্টা কৰি আছে বুলি কৈছে। কিন্তু মোৰ প্ৰশ্ন হ'ল, যদি আগতীয়াকৈ আক্ৰমণৰ তথ্য আছিল, তেন্তে কিয় কোনো ব্যৱস্থা লোৱা নহ'ল? মই জানিব পাৰিছো যে আক্ৰমণৰ তিনিদিন পূৰ্বে প্ৰধানমন্ত্ৰীলৈ চোৰাংচোৱাৰ প্ৰতিবেদন প্ৰেৰণ কৰা হৈছিল। সেই প্ৰতিবেদনৰ ভিত্তিত তেওঁ শ্ৰীনগৰ ভ্ৰমণ বাতিল কৰিছিল। তাৰ পিছতো সাধাৰণ মানুহৰ নিৰাপত্তাৰ বাবে কিয় কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নহ'ল?" জানিব পৰা মতে, পেহেলগাম আক্ৰমণৰ কিছুদিন পিছতে এটা চোৰাংচোৱাৰ প্ৰতিবেদন ৰাজহুৱা কৰা হৈছিল। শ্ৰীনগৰৰ সমীপৰ জবৰবান ৰেঞ্জত থকা এখন হোটেলত পৰ্যটকক আক্ৰমণৰ ভাবুকি দিয়া বুলি দাবী কৰা হৈছিল এই চোৰাংচোৱাৰ প্ৰতিবেদনত। সেই অনুসৰি অঞ্চলটোত ব্যাপক সতৰ্কবাণী জাৰি কৰা হয়। কিন্তু দীৰ্ঘদিনীয়া অনুসন্ধানৰ অন্তত ২২ এপ্ৰিলত সন্দেহজনক একো পোৱা নগ'ল বাবে অনুসন্ধান বন্ধ কৰি দিয়া হয়। আশ্চৰ্যজনকভাৱে সেইদিনাই পেহেলগামত উগ্ৰপন্থীয়ে পৰ্যটকৰ ওপৰত আক্ৰমণ চলাই ২৬ জন নিৰস্ত্ৰ নিৰীহক হত্যা কৰে। মন কৰিবলগীয়া যে, ১৯ এপ্ৰিলত প্ৰধানমন্ত্ৰীয়ে কাশ্মীৰত কাটৰা-শ্ৰীনগৰ ৰেলপথ উদ্বোধন কৰাৰ কথা আছিল। চোৰাংচোৱা তথ্যত প্ৰকাশ পাইছে যে সেই সময়ত উগ্ৰবাদীয়ে বৃহৎ আক্ৰমণৰ পৰিকল্পনা কৰিছিল। কিন্তু প্ৰতিকূল বতৰৰ বাবে এই অনুষ্ঠান বাতিল কৰা বুলি ৰে'ল বিভাগে জানিবলৈ দিয়ে। এই দুটা ঘটনাক আহিলা হিচাপে ব্যৱহাৰ কৰি খাৰ্গেয়ে এতিয়া মোদী চৰকাৰৰ বিৰুদ্ধে উত্থাপন কৰিছে বিস্ফোৰক অভিযোগ। তেওঁ কয়, "চোৰাংচোৱা বিফল হ'লে শুধৰণি কৰিব পাৰি। কিন্তু তথ্য থকাৰ পিছতো সেই অনুসৰি কোনো ব্যৱস্থা কিয় লোৱা নহ'ল?" ইফালে, এই আক্ৰমণৰ পিছত ভাৰত আৰু পাকিস্তানৰ মাজত উত্তেজনা বৃদ্ধি পাইছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ৭ মে'ত দেশৰ সকলো ৰাজ্যত সামৰিক অনুশীলনৰ নিৰ্দেশ দিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যুদ্ধকালীন প্ৰস্তুতি! অসমৰ ২০টা

জৰুৰী নিৰ্দেশনা জাৰি কৰি যুদ্ধৰ পৰিস্থিতিৰ বাবে সাজু হোৱাৰ আহ্বান জনাইছে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে। অসমকে ধৰি ভাৰতৰ সকলো ৰাজ্যত অহা ৭ মে'ত সামৰিক অনুশীলনৰ জৰিয়তে যুদ্ধৰ আখৰাৰ প্ৰস্তুতি চলাবলৈ নিৰ্দেশ দিছে গৃহ মন্ত্ৰালয়ে। উল্লেখ্য যে, ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধৰ পিছত প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ নেতৃত্বত এনে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি, অসমৰ ২০খন স্থানত এই যুদ্ধৰ আখৰা অনুষ্ঠিত হ'ব। বঙাইগাঁও, ডিব্ৰুগড়, ধুবুৰী, গোৱালপাৰা, যোৰহাট, শিৱসাগৰ, তিনিচুকীয়া, তেজপুৰ, ডিগবৈ, দুলীয়াজান, গুৱাহাটী, ৰঙিয়া, নামৰূপ, নাজিৰা, উত্তৰ লখিমপুৰ আৰু নুমলীগড়ত দ্বিতীয় শ্ৰেণীৰ যুদ্ধৰ আখৰাৰ আয়োজন কৰা হ'ব। আনহাতে, দৰং, গোলাঘাট, কাৰ্বি আংলং আৰু কোকৰাঝাৰত তৃতীয় শ্ৰেণীৰ যুদ্ধৰ অনুশীলন চলোৱা হ'ব। এই সামৰিক অনুশীলনৰ সময়ত সামৰিক আইন জাৰি কৰাৰো নিৰ্দেশ দিয়া হৈছে, যাৰ ফলত ৰাজ্যসমূহে যুদ্ধকালীন পৰিস্থিতিৰ বাবে প্ৰস্তুতি গ্ৰহণ কৰিব পাৰিব। উল্লেখ্য যে, ভাৰত-পাকিস্তানৰ মাজত উত্তেজনা বৃদ্ধিৰ মূল কাৰণ হৈছে জম্মু-কাশ্মীৰত সাম্প্ৰতিক সন্ত্ৰাসী আক্ৰমণ। ২২ এপ্ৰিলত পেহেলগামত সংঘটিত এক সন্ত্ৰাসবাদী আক্ৰমণত মৃত্যু ঘটিছিল ২৬ জন লোকৰ। লক্ষ্যণীয়ভাৱে, এয়া আছিল ২০০৮ৰ মুম্বাই আক্ৰমণৰ পিছত ভাৰতীয় নাগৰিকৰ ওপৰত হোৱা আটাইতকৈ ভয়াবহ আক্ৰমণ। ভাৰতে এই আক্ৰমণৰ বাবে পাকিস্তান-ভিত্তিক সন্ত্ৰাসী গোটক দায়ী কৰি পাকিস্তানৰ ওপৰত অভিযোগ উত্থাপন কৰিছে। ইয়াৰ পিছত ভাৰতে পাকিস্তানী কূটনীতিকসকলক বহিষ্কাৰ কৰাৰ লগতে ১৯৬০ চনত স্বাক্ষৰিত সিন্ধু নদীৰ জল চুক্তি স্থগিত কৰে, সীমান্ত বন্ধ কৰে আৰু পাকিস্তানী নাগৰিকৰ বাবে ভিছা বাতিল কৰে। ২৪ এপ্ৰিলৰ পৰা নিয়ন্ত্ৰণ ৰেখাৰ কাষেৰে ভাৰত আৰু পাকিস্তানৰ মাজত সশস্ত্ৰ সংঘৰ্ষৰ খবৰো পোৱা গৈছে। এই উত্তেজনাৰ মাজতে ভাৰতে পাকিস্তানৰ বিৰুদ্ধে একাধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। পাকিস্তানৰ পৰা সকলো ধৰণৰ আমদানি নিষিদ্ধ কৰাৰ লগতে ভাৰতীয় বন্দৰত পাকিস্তানী জাহাজৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। লগতে, ভাৰতে আন্তৰ্জাতিক মুদ্ৰা নিধিৰ পৰা পাকিস্তানে লাভ কৰা ঋণৰ পৰ্যালোচনাৰ বাবে অনুৰোধ জনাইছে। ইয়াৰ উপৰি, যুক্তৰাষ্ট্ৰৰ পৰা ১৩১ মিলিয়ন ডলাৰ মূল্যৰ সামৰিক সৰঞ্জাম ক্ৰয় কৰি ভাৰতে নিজৰ নৌসেনাৰ সামৰিক সক্ষমতা বৃদ্ধি কৰিছে, য'ত 'ইন্দো-পেচিফিক মেৰিটাইম ডোমেইন এৱাৰনেছ' প্ৰযুক্তি আৰু চি-ভিশ্বন ছফ্টৱেৰৰ অন্তৰ্ভুক্ত আছে। পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ এই যুদ্ধকালীন প্ৰস্তুতিৰ মাজতে গৃহ মন্ত্ৰালয়ে সকলো ৰাজ্যলৈ জাৰি কৰে যুদ্ধকালীন নিৰ্দেশনা। অসমত এই সামৰিক অনুশীলনৰ প্ৰস্তুতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে ইতিমধ্যে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছে। ৰাজ্যৰ নিৰাপত্তা ব্যৱস্থা জোৰদাৰ কৰাৰ লগতে স্থানীয় প্ৰশাসনকো সতৰ্ক কৰি দিয়া হৈছে। এই পৰিস্থিতিৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, "আমি কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশনা সম্পূৰ্ণৰূপে পালন কৰিম। অসমৰ জনসাধাৰণৰ নিৰাপত্তা আমাৰ প্ৰথম অগ্ৰাধিকাৰ। এই সামৰিক অনুশীলনৰ জৰিয়তে আমি যিকোনো পৰিস্থিতিৰ বাবে প্ৰস্তুত হৈ আছো। আমি জনসাধাৰণক আতংকিত নহ'বলৈ আহ্বান জনাইছো আৰু এই অনুশীলনত সহযোগিতাৰ বাবে অনুৰোধ কৰিছো।" এই পৰিস্থিতিৰ প্ৰতি মতামত প্ৰকাশ কৰি বিধানসভাৰ বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই কয়, "ভাৰত-পাকিস্তানৰ মাজত উত্তেজনা বৃদ্ধি অত্যন্ত উদ্বেগজনক। আমি কেন্দ্ৰীয় চৰকাৰক এই পৰিস্থিতি কূটনৈতিকভাৱে সমাধানৰ বাবে আহ্বান জনাইছো। অসমত এনে সামৰিক অনুশীলনৰ প্ৰয়োজনীয়তা আছে, কিন্তু জনসাধাৰণৰ মাজত আতংকৰ পৰিৱেশ সৃষ্টি হোৱা উচিত নহয়। আমি ৰাজ্য চৰকাৰৰ পৰা জনসাধাৰণৰ সুৰক্ষা আৰু সচেতনতাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ আশা কৰিছো।" লক্ষ্যণীয়ভাৱে, ৭ মে'ৰ এই সামৰিক অনুশীলনৰ প্ৰস্তুতিৰ মাজতে অসমত অনুষ্ঠিত হ'ব পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ। নিৰ্বাচনকেন্দ্ৰিক পৰিৱেশৰ মাজতে সামৰিক অনুশীলনৰ নিৰ্দেশনাই ৰাজ্যৰ পৰিৱেশক আৰু জটিল কৰি তুলিছে।

# গোৱালপাৰা জিলাৰ মুঠ ৯৫৫টা কেন্দ্ৰত হ'ব ভোটগ্ৰহণ

**ই-সংবাদ, ধূপধৰা, ৬ মে':** গোৱালপাৰা জিলাত কাইলৈ পঞ্চায়ত নিৰ্বাচনৰ ভোট গ্ৰহণ সম্পন্ন হ'ব। ভোটগ্ৰহণকে আদি কৰি নিৰ্বাচনৰ সকলো প্ৰস্তুতি গোৱালপাৰা জিলা প্ৰশাসনে সম্পূৰ্ণ কৰি তুলিছে। প্ৰশাসনৰ তৰফৰ পৰা প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত প্ৰয়োজনীয় সুৰক্ষা ব্যৱস্থা কৰা হৈছে। জিলাখনত মুঠ ভোটদাতাৰ সংখ্যা হৈছে ৭,২৬,২১২ গৰাকী। ইয়াৰে পুৰুষ ভোটদাতা ৩৬৪১১০ গৰাকী, মহিলা ভোটদাতা ৩,৬২,০৮৭ গৰাকী আৰু ১৫ গৰাকী অন্যান্য ভোটাদাতা। গোৱালপাৰা জিলাৰ মুঠ ৯৫৫ টা ভোট গ্ৰহণ কেন্দ্ৰৰ ভিতৰত ৭৩৮ টা ভোটগ্ৰহণ কেন্দ্ৰ গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদৰ পৰা পৰিচালনা কৰা হৈছে আৰু গোৱালপাৰা পশ্চিম বিধানসভা সমষ্টিৰ অন্তৰ্গত ২১৭ টা ভোটগ্ৰহণ কেন্দ্ৰ গোৱালপাৰা পশ্চিম সমজিলা কাৰ্যালয়, আগিয়াৰ পৰা পৰিচালনা কৰা হৈছে। অৱশ্যে পাঁচটা কেন্দ্ৰত এগৰাকীকৈ প্ৰাৰ্থী হোৱা বাবে ৯৫০ টা কেন্দ্ৰতহে হ'ব ভোটগ্ৰহণ। পুৱা ৭.৩০ বজাৰ পৰা ভোটগ্ৰহণ আৰম্ভ হ'ব, বিয়লি ৪.৩০ বজাত অন্ত পৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গেৰুৱা হ'ল পাৰিষদ মাচুমা!

সংগ্ৰাম সমিতিৰ ৰাজ্যিক সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতা। আজি গুৱাহাটীৰ বশিষ্ঠস্থিত বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত এক যোগদান অনুষ্ঠানত গেৰুৱা গলবস্ত্ৰ পৰিধান কৰি বিজেপিৰ সদস্যপদ গ্ৰহণ কৰিলে দুয়োগৰাকী নেতাই। এই যোগদান অনুষ্ঠানত উপস্থিত থাকে ৰাজ্যিক বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ লগতে বিজেপিৰ কেইবাগৰাকীও ৰাজ্যিক পৰ্যায়ৰ নেতা। ইফালে, এই যোগদানৰ পিছত সংবাদ মাধ্যমৰ সৈতে মুখামুখি হৈ গুৱাহাটী পৌৰ নিগমৰ ৪২ নং ৱাৰ্ডৰ পাৰিষদ মাচুমা বেগমে কয়, "আজি যি সিদ্ধান্ত লৈছোঁ, তাত খুব ভাল লাগিছে। মই বিজেপিৰ সৈতে উন্নয়নৰ বাবে কাম কৰিব বিচাৰো। বিজেপি আৰু মোৰ চিন্তাধাৰা একেই। আমি কেৱল উন্নয়ন বিচাৰো।" ইফালে ২৬ৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰো ইচ্ছা ব্যক্ত কৰে মাচুমাই। উল্লেখ্য, ২০২২ চনত গুৱাহাটী পৌৰ নিগম নিৰ্বাচনত আম আদমি পাৰ্টিৰ প্ৰাৰ্থী হিচাপে ৪২ নং ৱাৰ্ডত জয়লাভ কৰিছিল মাচুমা বেগমে। তেওঁ আছিল আপৰ একমাত্ৰ পাৰিষদ। কিন্তু শেহতীয়াকৈ তেওঁ আপৰ পৰা পদত্যাগ কৰে আৰু আজি আনুষ্ঠানিকভাৱে যোগ দিয়ে বিজেপিত। ইফালে, অখিল গগৈৰ ঘনিষ্ঠ সহযোগী প্ৰাঞ্জল কলিতাইও আজি বিজেপিত যোগদান কৰাক লৈ ৰাজনৈতিক মহলত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। মন কৰিবলগীয়া যে, ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ বিৰুদ্ধে কিছুদিনৰ পৰা অভিযোগ উত্থাপন হৈ আহিছিল যে তেওঁ তলে তলে বিজেপি আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সহায় কৰি আছে। এনে এক সময়তে প্ৰাঞ্জল কলিতাৰ বিজেপিত যোগদানে এই অভিযোগক আৰু অধিক ঘনীভূত কৰিছে। একাংশৰ মতে, প্ৰাঞ্জল কলিতাৰ এই যোগদানে অখিল গগৈৰ ৰাজনৈতিক অৱস্থানক লৈ প্ৰশ্ন উত্থাপন কৰিছে। উল্লেখ্য যে, আজি ৰাজ্যত অনুষ্ঠিত হ'ব পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ। ১৩ খন জিলাৰ মুঠ ১২,১৪৩টা ভোট কেন্দ্ৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। তাৰ পিছত ১১ মে'ত ঘোষণা কৰা হ'ব নিৰ্বাচনৰ ফলাফল। ইতিমধ্যে, বিজেপিৰ এক চৰকাৰী বিবৃতি অনুসৰি, দ্বিতীয় পৰ্যায়ৰ প্ৰচাৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ২৬ খন সমাবেশত অংশগ্ৰহণ কৰি ৫ লাখতকৈ অধিক লোকক সম্বোধন কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৩১খন সভাত অংশ লৈছে, আনহাতে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই ৫১খন সভা আৰু কাৰ্যকৰ্তা সমাৰোহত অংশগ্ৰহণ কৰি প্ৰচাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। গুৰুত্বপূৰ্ণ কথাটো হ'ল- এই নিৰ্বাচনৰ প্ৰচাৰত মুখ্যমন্ত্ৰীৰ বাবে মূল ইছ্যু হৈ পৰিছিল গৌৰৱ গগৈৰ পাকিস্তান সংযোগ। বিগত সময়ত নিৰ্বাচনী প্ৰচাৰ সভা আৰু সংবাদ মাধ্যমত বাৰে বাৰে তেওঁ প্ৰসংগৰ উত্থাপন কৰি আহিছে। কিন্তু মুখ্যমন্ত্ৰীৰ পৰা এক পৃথক মেৰুত অৱস্থান লৈ দিলীপ শইকীয়াই কয়, "কংগ্ৰেছ নেতা গৌৰৱ গগৈৰ কথাত গুৰুত্ব নিদি আমি গাঁৱৰ জনতাৰ সৈতে থকা সংকল্পৰ প্ৰতি দায়বদ্ধ। গৌৰৱ গগৈৰ নাম কেৱল সংবাদমাধ্যমৰ প্ৰশ্নৰ প্ৰেক্ষাপটত উত্থাপিত হৈছিল। আমাৰ মূল প্ৰচাৰৰ কেন্দ্ৰবিন্দু হৈছে বিজেপিৰ 'সংকল্প পত্ৰ', য'ত ১৫টা মুখ্য প্ৰতিশ্ৰুতিৰ উল্লেখ আছে।" তেওঁ লগতে অসম গণ পৰিষদৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা, মন্ত্ৰী কেশৱ মহন্ত আৰু অন্যান্য নেতা-মন্ত্ৰী, সাংসদসকলৰ প্ৰচেষ্টা আৰু সক্ৰিয় অংশগ্ৰহণৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। বিজেপিৰ সাংগঠনিক শৃংখলা আৰু তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ প্ৰচেষ্টাৰ শলাগ লৈ শইকীয়াই কয়, "আমাৰ দলটোৱে পঞ্চায়ত নিৰ্বাচনকো লোকসভা বা বিধানসভা নিৰ্বাচনৰ দৰে গুৰুত্ব দিয়ে। গাঁৱৰ জনতাৰ সৈতে আমাৰ সংযোগ আৰু তেওঁলোকৰ উন্নয়নৰ প্ৰতি আমাৰ সংকল্পই আমাক শক্তি প্ৰদান কৰে।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'ৰাজনৈতিকভাৱে মোক নিঃশেষ

বাকযুদ্ধ। বিজেপিৰ বিৰুদ্ধে যুঁজিবলৈ এৰি বিৰোধীৰ মাজতে খোৱা-কমোৰা লগা এই দুই দলৰ নেতাৰ হাই ভল্টেজ ড্ৰামাই গৰম কৰি ৰাখিছে পঞ্চায়ত নিৰ্বাচনকেন্দ্ৰিক বতাহ। কংগ্ৰেছ সাংসদ গৌৰৱ গগৈ আৰু ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈৰ মাজত চলা অভিযোগ-প্ৰত্যাভিযোগে এতিয়া ৰাজনৈতিক মহলত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। ইফালে এই বাকযুদ্ধৰ মাজতে মাজে মাজে এণ্ট্ৰী ঘটিছে ভূপেন বৰা, দেৱব্ৰত শইকীয়াৰ দৰে নেতাৰো। বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াক লৈ শেহতীয়াকৈ অখিলে কৰা মন্তব্যৰ পিছত কংগ্ৰেছ নেতাগৰাকীয়ে আজি প্ৰদান কৰে প্ৰত্যুত্তৰ। মঙলবাৰে দিছপুৰৰ চৰকাৰী ভৱনত এক সংবাদমেল সম্বোধন কৰি দেৱব্ৰত শইকীয়াই অখিল গগৈক তীক্ষ্ণ সমালোচনা কৰি কয়, "মোক ৰাজনৈতিকভাৱে হত্যা কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰা হৈছে। বিধানসভাত অখিল গগৈয়ে মোক শ্ৰুতলিপি দি নিজৰ মতে পৰিচালনা কৰাৰ চেষ্টা কৰিছিল।" তেওঁৰ অভিযোগ, এই ঘটনাৰ পিছত অখিল গগৈয়ে তেওঁৰ বিৰুদ্ধে বিভিন্ন বক্তব্য দি ৰাজনৈতিকভাৱে দুৰ্বল কৰাৰ চেষ্টা চলাই আহিছে। উল্লেখ্য যে, সোমবাৰে দেৱব্ৰত শইকীয়াই এক সংবাদমেলত অখিল গগৈৰ বিৰুদ্ধে বিজেপিৰ 'বি টিম' হিচাপে কাম কৰাৰ অভিযোগ উত্থাপন কৰিছিল। ইয়াৰ প্ৰত্যুত্তৰত অখিল গগৈয়ে তীব্ৰ ভাষাৰে শইকীয়াক আক্ৰমণ কৰি কয়, "বিজেপিৰ 'এ টিম' হিচাপে কাম কৰি আছে দেৱব্ৰত শইকীয়াই। ২০২৬ৰ জানুৱাৰীত বিজেপিত যোগদান কৰিব কংগ্ৰেছৰ জ্যেষ্ঠ নেতা দেৱব্ৰত শইকীয়াই।" এই মন্তব্যৰ পিছতেই শইকীয়াৰ প্ৰতিক্ৰিয়াই বিতৰ্কক আৰু জটিল কৰি তোলে। দেৱব্ৰত শইকীয়াই অখিল গগৈৰ এই অভিযোগক 'হাস্যকৰ' বুলি অভিহিত কৰি কয়, "অখিল গগৈয়ে যেনেকৈ কথাবোৰ কৈছে, যেন মই তেওঁৰ সন্মুখত MOUত চহী কৰি থৈ আহিছিলো। মোৰ বিৰুদ্ধে তেনে কিবা প্ৰমাণ দিব পাৰিলে ৰাজহুৱা জীৱন ত্যাগ কৰিম।" তেওঁ লগতে কয়, "অখিল গগৈয়ে মোৰ বিৰুদ্ধে কিয় এনে অপপ্ৰচাৰ চলাইছে ক'ব নোৱাৰো। ইয়াৰ আগেও মোৰ বিৰুদ্ধে ৰাজনৈতিক ষড়যন্ত্ৰ ৰচনা কৰা হৈছে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ সময়ত মোৰ সমষ্টিৰ এলেকা কৰ্তন কৰি শিৱসাগৰৰ লগত সংযুক্ত কৰা হৈছে।" নিজকে জন্মসূত্ৰে কংগ্ৰেছী বুলি দাবী কৰি শইকীয়াই কয়, "মই কংগ্ৰেছক ভাল পাওঁ। মই জন্মসূত্ৰে কংগ্ৰেছী। মোক ৰাজনৈতিকভাৱে দুৰ্বল কৰাৰ চেষ্টা কৰা হৈছে।" ইফালে, নামনি অসমত এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত অখিল গগৈয়ে সংখ্যালঘু ভোটাৰৰ মাজত ব্যাপক জনপ্ৰিয়তা লাভ কৰিছে। তেওঁৰ সভাসমূহত হাজাৰ হাজাৰ লোকৰ সমাৰেশ দেখা গৈছে। এই সমাৰেশৰ খৰচক লৈ প্ৰশ্ন উত্থাপন কৰি দেৱব্ৰত শইকীয়াই কয়, "অখিল গগৈয়ে যেনে ধৰণেৰে বিৰাট সমাৰেশ পাতিছে অথবা প্ৰাৰ্থীক ধন বিলাইছে, সেই পইচা ক'ৰ পৰা আহিছে, সেয়া মোৰ ফালৰ পৰা প্ৰশ্ন।" তেওঁ লগতে অখিল গগৈক তীব্ৰভাৱে আক্ৰমণ কৰি কয়, "অখিল গগৈয়ে সংখ্যালঘুৰ সমৰ্থনত বিধানসভাৰ ভিতৰত বা বাহিৰত কিবা মাত মাতিছিল নেকি? অখিল গগৈয়ে ২০১৪ চনত বিজেপিক ভোট দিবলৈ আহ্বান জনাই বিজেপিক বৰপীৰা পাৰি দিয়া নাছিল জানো!" ইফালে সংবাদমেলত বুধবাৰে অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণক লৈ দেৱব্ৰত শইকীয়াই নিৰ্বাচন আয়োগক সতৰ্ক কৰি দিয়ে। তেওঁ কয়, "পঞ্চায়ত নিৰ্বাচনৰ অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণত যাতে কোনো ধৰণৰ ৰিগিং অথবা ৰি-পোলৰ ব্যৱস্থা নহয়, তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই নিৰ্বাচন আয়োগক আহ্বান জনাইছো। দ্বিতীয় পৰ্যায়ত বহু চৰ-চাপৰি আৰু সংখ্যালঘু অধ্যুষিত অঞ্চলত ভোটগ্ৰহণ হ'ব। এইক্ষেত্ৰত নিৰ্বাচন আয়োগক ব্যৱস্থা ল'বলৈ আহ্বান জনাইছো।" এই বাকযুদ্ধ আৰু অভিযোগ-প্ৰত্যাভিযোগে পঞ্চায়ত নিৰ্বাচনৰ পৰিৱেশক আৰু উত্তপ্ত কৰি তুলিছে। একাংশৰ মতে, বিৰোধীৰ মাজত খোৱা-কামোৰাই নিৰ্বাচনত বিজেপিক লাভৱান কৰিব পাৰে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

## আইন হাতত তুলি লৈ বিজেপি নেতাক

লোকৰ ৰোষত পৰিল ডিগবৈৰ বিজেপি কৰ্মী কল্পজ্যোতি ফুকন। কল্পজ্যোতি ফুকনক ক্ষমা খুজিবলৈ ডিগবৈৰ বগাপানীৰ বাসগৃহৰ পৰা একাংশ লোকে উঠাই আনি টিংৰাই বজাৰৰ মাজমজিয়াত আঁঠু কঢ়াই, মুণ্ডন কৰি লপাথপা দিয়া ঘটনাই সৰ্বত্ৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অৱশ্যে কিছু সময়ৰ পিছত ডিগবৈ আৰক্ষীয়ে কল্পজ্যোতি ফুকনক উদ্ধাৰ কৰি থানালৈ লৈ যায়। ডিগবৈৰ আৰক্ষীয়ে বিজেপি কৰ্মী তথা ডিগবৈৰ বিধায়ক সুৰেন ফুকনৰ ঘনিষ্ঠ কল্পজ্যোতি ফুকনক উদ্ধাৰ কৰোঁতে অপদস্থ কৰি থকা যুৱকসকলে বাধা দিয়াত আৰক্ষীৰ সৈতে হতাহতিও লাগে। ঘটনা সন্দৰ্ভত আকাশ মৰাণ নামৰ এজন যুৱকক ডিগবৈ আৰক্ষীয়ে আটক কৰিছে। উল্লেখ্য যে প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ সময়ত প্ৰচাৰৰ সামৰণি পৰাৰ পিছতো প্ৰচাৰ চলোৱা বুলি অভিযোগ তুলি ৫১ নং বৰহাপজান গাঁও পঞ্চায়তৰ ৭ নং ৱাৰ্ডৰ নিৰ্দলীয় প্ৰাৰ্থী জোনমণি মৰাণে বিধায়ক সুৰেন ফুকনক পথুখেদা দিছিল। এই জোনমণি মৰাণৰ বিৰুদ্ধে দুই বিজেপি নেতা তথা ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰতৰাণী গাঁৱৰ চন্দন নেওগ আৰু ৰাইডাং গাঁৱৰ মিৰাজ মৰাণে ডুমডুমা থানাত দিয়া এজাহাৰৰ ভিত্তিত ডুমডুমা আৰক্ষীয়ে জোনমণি মৰাণক প্ৰথমে আটক কৰি তীব্ৰ জেৰা চলায় আৰু শেষত জোনমণি মৰাণক গ্ৰেপ্তাৰ কৰে। জোনমণি মৰাণৰ গ্ৰেপ্তাৰ প্ৰসংগত ডিগবৈৰ এজন কংগ্ৰেছ নেতাৰ সৈতে কল্পজ্যোতি ফুকনৰ ফোনত তৰ্ক-বিতৰ্ক হৈছিল। তৰ্ক-বিতৰ্কৰ মাজতে বিজেপি কৰ্মী কল্পজ্যোতি ফুকনে মৰাণ জনগোষ্ঠীৰ বিৰুদ্ধে বিৰূপ মন্তব্য কৰে। এই কথা-বাৰ্তাৰ ৰেকৰ্ডিং বতাহৰ গতিত ভাইৰেল হৈ পৰাৰ পিছত ক্ষোভিত হৈ পৰে মৰাণ জনগোষ্ঠীৰ লোকসকল। ফলত কল্পজ্যোতি ফুকনক আজি এইদৰে দিন-দুপৰতে ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত ৰাজহুৱাকৈ অপদস্থ কৰে। বিজেপি কৰ্মী কল্পজ্যোতি ফুকনে ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীক অপমান কৰা কাৰ্যক সচেতন ৰাইজে ধিক্কাৰ দিয়াৰ সমান্তৰালকৈ কল্পজ্যোতিক আঁঠু কঢ়াই মুণ্ডন কৰা কাৰ্যৰো বিৰোধিতা কৰে সচেতন মহলে। আইন হাতত তুলি লোৱাৰ দৰে এনে কাৰ্যৰ পৰা সকলোকে বিৰত থাকিবলৈ ডিগবৈৰ সচেতন ৰাইজে সকলোলৈ আহ্বান জনাইছে। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে যি স্থানত বিজেপি কৰ্মী কল্পজ্যোতি ফুকনক ৰাইজে ৰাজহুৱাকৈ অপদস্থ কৰাৰ লগতে লপা-থপা দিছিল, উক্ত স্থানৰ পৰা প্ৰায় ২০০ মিটাৰ নিলগতে আছে ডিগবৈৰ বিধায়ক সুৰেন ফুকনৰ বাসগৃহ। প্ৰায়েই নিৰাপত্তাৰক্ষীয়ে টহল দি অহা ৰাষ্ট্ৰীয় ঘাইপথৰ সদাব্যস্ত উক্ত স্থানত আজি যি অনাকাংক্ষিত ঘটনা সংঘটিত হ'ল, তাক লৈ ডিগবৈৰ লগতে সমগ্ৰ তিনিচুকীয়া জিলাতে তীব্ৰ চাঞ্চল্য সৃষ্টি হোৱা পৰিলক্ষিত হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

## বিদ্যুৎ বিলত সকাহ, জীৱনধাৰা গ্ৰাহকৰ

কেবিনেট বৈঠক। এই বৈঠকত কেবিনেটে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। মঙলবাৰে সংবাদমেলযোগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেবিনেটৰ সিদ্ধান্তসমূহ ঘোষণা কৰে। সংবাদমেলত হিমন্ত বিশ্ব শৰ্মাই ২২,৮৬৪ কোটি টকা ব্যয়সাপেক্ষ শ্বিলং-শিলচৰ গ্ৰীনফিল্ড হাই-স্পীড কৰিড'ৰৰ বাবে প্ৰদান কৰা অনুমোদনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় কেবিনেটৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। এই ১৬৬.৮ কিল'মিটাৰ কৰিড'ৰত কাছাৰ জিলালৈ ২২ কিল'মিটাৰ পথ প্ৰসাৰিত কৰা হ'ব আৰু ই গুৱাহাটীৰ পৰা শিলচৰলৈ যাত্ৰাৰ সময় মাত্ৰ ৫ ঘণ্টালৈ হ্ৰাস কৰাৰ লগতে যাতায়াত ব্যৱস্থা উন্নত কৰিব বুলি জানিবলৈ দিছে মুখ্যমন্ত্ৰীয়ে। ইয়াৰ উপৰি কেবিনেটে ২০৩৫ চনৰ ভিতৰত ৰাজ্যখনক শক্তিৰ ক্ষেত্ৰত স্বনিৰ্ভৰশীল কৰিবলৈ অসম তাপ-বিদ্যুৎ উৎপাদন প্ৰচাৰ নীতি-২০২৫ত অনুমোদন জনাইছে। এই নীতি অনুসৰি চৰকাৰে ২০৩০ চনৰ ভিতৰত ২,০০০ মেগাৱাট আৰু ২০৩৫ চনৰ ভিতৰত ৫,০০০ মেগাৱাটলৈ তাপ-বিদ্যুৎ উৎপাদন বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। ৰাজ্যৰ শক্তি খণ্ডক শক্তিশালী কৰাৰ বাবে কেবিনেটে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে জীৱন ধাৰা আৰু ঘৰুৱা-এ শ্ৰেণীৰ উপভোক্তাক শুল্ক ৰেহাই প্ৰদান কৰাৰ বাবে এপিডিচিএললৈ ৩০০ কোটি টকাৰ নিৰ্ধাৰিত ৰাজসাহায্য আগবঢ়াব। লগতে ২০২৫-২৬ বিত্তীয় বৰ্ষত খুচুৰা শুল্ক বৃদ্ধি পৰিহাৰ কৰিবলৈ এপিডিচিএললৈ ২০০ কোটি টকাৰ শুল্ক ৰাজসাহায্য আগবঢ়োৱা হ'ব। মথাউৰি নিৰ্মাণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ MGNREGAৰ টকাও ব্যৱহাৰ কৰা হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰিছে কেবিনেটে। চৰকাৰী নিৰ্দেশনা OM বুলি কোৱা হৈছিল, কেবিনেটৰ সিদ্ধান্ত অনুসৰি প্ৰায়োগিক ক্ষেত্ৰত এতিয়াৰে পৰা Executive Order বুলি কোৱা হ'ব। লগতে এডভাণ্টেজ আছাম-২.০ ৰ সময়ত বুজাবুজি চুক্তি স্বাক্ষৰ কৰা ১২টা কোম্পানীক অসম উদ্যোগ আৰু বিনিয়োগ নীতি-২০১৯ ৰ অধীনলৈ অনা হৈছে। এই কোম্পানীসমূহে একেলগে ৭,৭৩০ কোটি টকা বিনিয়োগ কৰিব, য'ত ১৬,৪৬৬সংখ্যক নিযুক্তিৰ সৃষ্টি হ'ব বুলি মুখ্যমন্ত্ৰী শৰ্মাই সদৰী কৰিছে। কেবিনেটৰ সিদ্ধান্ত অনুসৰি, গুৱাহাটীৰ সৰুসজাইত এইজিচিএলৰ ২২০ কেভি গ্ৰীড উপকেন্দ্ৰৰ উন্নীতকৰণ আৰু নৱীকৰণৰ বাবে ভূমি অধিগ্ৰহণৰ উদ্দেশ্যে ২৪৪ কোটি টকাৰ নন-এ এ বিত্তীয় অনুমোদন দিয়া হৈছে। স্বচ্ছ ভাৰত মিছন-গ্ৰামীণৰ কাৰ্যকৰী ৰূপায়ণ নিশ্চিত কৰাৰ বাবে কেবিনেটে জলমিত্ৰসকলক স্ব-জল মিত্ৰৰ ব্ৰিগেডৰ ভূমিকাত অন্তৰ্ভুক্ত কৰিবলৈ অনুমোদন জনাইছে। কেবিনেটে লালা নগৰৰ প্ৰতিটো পৰিয়ালক নিৰৱচ্ছিন্ন পানী যোগান ধৰাৰ বাবে হাইলাকান্দি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত লালা নগৰ পানী যোগান আঁচনিত অনুমোদন জনাইছে। বৰ্তমানৰ অসম লোকসেৱাৰ অধিকাৰ সেৱা এক সুস্থিৰ প্ৰক্ৰিয়াৰ অন্তৰ্ভুক্ত হৈ পৰিছে। সেয়ে ৩৬২ টা ৰাজহুৱা সুবিধা কেন্দ্ৰ বন্ধ কৰি তাত কৰ্মৰত ৭৪৬ গৰাকী অপাৰেটৰক ৫০,০০০ টকাৰ এককালীন সাহায্য প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ২.০ ৰ অধীনত এককালীন হিচাপে অগ্ৰাধিকাৰ ভিত্তিত নলবাৰী জিলাৰ ৩৪৭ গৰাকী অ'বিবি শিক্ষকক ২ লাখকৈ টকা আগবঢ়োৱা হৈছে। ইয়াৰ উপৰি কেবিনেটে অসম লোকসেৱা আয়োগৰ জৰিয়তে বাছনি কৰিব লগা যিকোনো স্বীকৃত প্ৰতিষ্ঠানৰ পৰা চেৰিকালচাৰত বিজ্ঞান স্নাতকৰ ন্যূনতম অৰ্হতা থকা প্ৰাৰ্থীৰ পৰা ১০০% সম্প্ৰসাৰণ বিষয়াৰ প্ৰত্যক্ষ নিযুক্তি প্ৰদান কৰাৰ বাবে অসম ৰেচম কাৰিকৰী (ৰাজপত্ৰিত) সেৱা বিধি, ২০১৩ সংশোধনীত অনুমোদন জনাইছে। ইয়াৰ উপৰি পেহেলগাম ঘটনাত নিহতসকলৰ পৰিয়ালক ৫ লাখ টকাৰ অনুদান প্ৰদান কৰিবলৈ অনুমোদন জনাইছে ৰাজ্যিক কেবিনেটে। সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনোৱা মতে, ৰাজ্যৰ ৭২ লাখ লোকক মচুৰ দাইল, চেনি আৰু নিমখ সুলভ মূল্যত দিয়া হ'ব। ইয়াৰ বাবে ৰাজ্য চৰকাৰে মাহে ৫০ কোটি টকাকৈ খৰচ কৰিব। ইয়াৰ উপৰি নগাঁৱৰ ধৰমতুলত এটা চিমেণ্ট কোম্পানী নিৰ্মাণ কৰা হ'ব।

## ধন বিতৰণ! নিশা হাজোৰ আমদলাত উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, হাজো, ৬ মে':** কাইলৈ ৰাজ্যত অনুষ্ঠিত হ'ব দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচন। ইতিমধ্যে পঞ্চায়ত নিৰ্বাচনক লৈ ভোট কেন্দ্ৰলৈ ৰাওনা হৈছে দায়িত্বত থকা নিৰ্বাচনী বিষয়াসকল। ইয়াৰ মাজতে হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত দামপুৰ আমদলাত দেখা গৈছে নিৰ্বাচনী হিংসা। যোৱা নিশা দামপুৰ আমদলাত ধন বিতৰণক কেন্দ্ৰ কৰি সৃষ্টি হয় উত্তপ্ত পৰিস্থিতিৰ। অভিযোগ মৰ্মে এগৰাকী গাঁও সভাৰ সদস্য পদৰ প্ৰাৰ্থীৰ হৈ ধন বিতৰণ কৰিবলৈ আহিছিল কেইজনমান লোকে। লগে লগে স্থানীয় সচেতন ৰাইজে এই কথাৰ উমান পায় এ এছ-১৮ ই-৬৮৬৯ নম্বৰৰ এখন চাৰিচকীয়া বাহন আবদ্ধ কৰাৰ লগতে গাড়ীখনত অহা লোক কেইজনক জবাবদিহি কৰে। এইদৰে পঞ্চায়ত নিৰ্বাচনৰ প্ৰাক ক্ষণত ধন বিতৰণ কৰাৰ অভিযোগে ভয়ংকৰ ভাবুকি কঢ়িয়াই আনিছে গণতন্ত্ৰলৈ।

# ডঃ পুষ্প গগৈলৈ পদ্মনাথ গোহাঞিবৰুৱা সোঁৱৰণী বঁটা

**ই-সংবাদ, ডিব্ৰুগড়, ৬ মে':** সদৌ অসম আহোম সভাৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানক্ৰমে ১৩৩ সংখ্যক প্ৰতিষ্ঠান দিৱস কেন্দ্ৰীয়ভাৱে ১৩ মে'ত 'ডিব্ৰুগড় টাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰ'ত অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। ১৮৯৩ চনৰ ১৩ মে'ত আহোম জাতিৰ স্বকীয় বৈশিষ্ট্য ঘূৰাই অনাৰ লগতে বৃহৎ অসমীয়া জাতিসত্তাক চিৰ জ্যোতিষ্মান কৰি ৰখাৰ সংকল্প আৰু সম্পদসমূহৰ উপযুক্ত সংৰক্ষণ, টাই সংস্কৃতিৰ বিকাশ তথা ইয়াৰ সৰ্বতো দিশ উত্তৰণৰ লক্ষ্যৰে শেষাংশ ১১ পৃষ্ঠাত

# চোৰাং চিকাৰ ৰোধৰ বাবে গঠন হ'ব বন বিভাগ, অসম আৰক্ষীৰ 'টীম অসম'

## মানাহ ব্যঘ্ৰ প্ৰকল্পত উপস্থিত হৈ অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙৰ ঘোষণা

**ই-সংবাদ, বৰপেটাৰোড, ৬ মে':** অসমৰ আৰক্ষী সঞ্চালকপ্ৰধান (ডিজিপি) হৰমীত সিং বৰপেটাৰোডৰ ক্ষেত্ৰ সঞ্চালকৰ কাৰ্যালয়, মানাহ ব্যঘ্ৰ প্ৰকল্পত উপস্থিত হৈ এক গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। কিছুদিন পূৰ্বে মানাহ ৰাষ্ট্ৰীয় উদ্যানত এসপ্তাহত ৮ টাকৈ বনৰীয়া হাতী হত্যাৰ কৰাৰ পিছত মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পিছতেই চিৰাং বন বিভাগে ৪৮ ঘণ্টাৰ ভিতৰত চোৰাং চিকাৰী দুজনক আটক কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে অসমৰ আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে। আৰক্ষী শেষাংশ ৯ পৃষ্ঠাত

# শিমলুআটিৰ পথাৰত ধানৰ সলনি ওলাইছে পতান

## কৃষকৰ মাজত হাহাকাৰ



**ই-সংবাদ, বেবেজীয়া, ৬ মে':** ৰাজ্যৰ অন্যান্য ঠাইৰ দৰে নগাঁও জিলাৰ কৃষিজীৱী লোকসকলেও বিভিন্ন সমস্যাৰে মোকাবিলা কৰি প্ৰতিবছৰে কৃষিকাৰ্য সম্পাদন কৰি আহিছে। ঘাইকৈ এইসকল কৃষকে আন খেতিৰ তুলনাত প্ৰতি বছৰে বহু কষ্টৰে প্ৰচুৰ ৯ পৃষ্ঠাত চাওক

# মৰিগাঁৱত ২৩টা মহিলা পৰিচালিত ভোট কেন্দ্ৰ

**ই-সংবাদ, মৰিগাঁও, ৬ মে':** মৰিগাঁও জিলাত এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত সম্পূৰ্ণ মহিলাৰ দ্বাৰা পৰিচালিত বহুকেইটা ভোটগ্ৰহণ কেন্দ্ৰ সম্প্ৰতি আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। জিলাখনৰ ৫৪ নং মৰিগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত সম্পূৰ্ণ মহিলাৰ দ্বাৰা পৰিচালিত ভোট গ্ৰহণ কেন্দ্ৰকেইটা হৈছে ---- ভূৰাগাঁও হৰিচৰণ সৰকাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ (উত্তৰ আৰু দক্ষিণ) ভোটগ্ৰহণ কেন্দ্ৰ, ভূৰাগাঁও ৰিফিউজি নিম্ন বুনিয়াদী বিদ্যালয় (ক), ভূৰাগাঁও আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়, ভুৰবন্ধা মজলীয়া বিদ্যালয় (সোঁ), মিকিৰভেটা উচ্চতৰ শেষাংশ ১১ পৃষ্ঠাত

## নিৰ্মাণ হ'ব ফুটব্ৰীজ

# কোকৰাঝাৰ ৰে'ল ষ্টেচনত ৰ'ব আৰু কেইবাখনো ৰে'ল

**ই-সংবাদ, কোকৰাঝাৰ, ৬ মে':** কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰীয়ে কোকৰাঝাৰ ৰে'ল ষ্টেচনত কেইবাখনো উজনিমুৱা আৰু নামনিমুৱা ৰে'ল ৰখোৱা, কোকৰাঝাৰত ফুটব্ৰীজ নিৰ্মাণ কৰা আৰু কালভাৰ্ট নিৰ্মাণৰ দাবীত আজি শেষাংশ ১২ পৃষ্ঠাত

# সান্যালেৰকুঠীত নিৰ্বাচনকেন্দ্ৰিক হিংসাঃ বিজেপিৰ কৰ্মীৰ ঘৰত আক্ৰমণৰ অভিযোগ

**ই-সংবাদ, গোলকগঞ্জ, ৬ মে':** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত অসম-পশ্চিমবংগ সীমান্তৰ সান্যালেৰকুঠীত যোৱানিশা একাংশ কংগ্ৰেছীয়ে বিজেপি কৰ্মীৰ ঘৰত সোমাই মাৰপিট কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ৰায়ডাক জিলা পৰিষদৰ ৰণপাগলী গাঁও পঞ্চায়তৰ দুই নং সান্যালেৰকুঠী ৱাৰ্ডৰ ছাবিৰ আলী শেষাংশ ৯ পৃষ্ঠাত


# 'বিভাজনৰ ৰাজনীতি কৰিছে মুখ্যমন্ত্ৰীয়ে'

**ই-সংবাদ, শিমলীতোলা, ৬ মে':** তুংগত উঠিছে ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰত নামিছে বিৰোধী-শাসকীয় সকলো দল। বৰপেটা জিলাৰ চেঙা সমষ্টিৰ চেঙা ব্লকৰ দুখন জিলা পৰিষদৰ প্ৰাৰ্থীৰ আৰু ৯ খন আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীৰ লগতে ১৬ নং বাঘমাৰা জিলা পৰিষদৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী আকলিমা খাতুন, ৮৫ নং বাঘমাৰা চৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ মনোনীত প্ৰাৰ্থী শ্বাহানুৰ ৰহমানৰ হৈ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ অন্তিম দিনা চলাইছে ব্যাপক নিৰ্বাচিনী প্ৰচাৰ। চেঙাৰ বাঘমাৰা চৰত কেইবাশ লোকৰ উপস্থিতিত ৯ পৃষ্ঠাত চাওক

## বাঘমাৰাত কংগ্ৰেছৰ জনসভাত মীৰা বৰঠাকুৰৰ নিৰ্বাচনী প্ৰচাৰ অভিযান

## মিটাৰৰ লগতে ছিষ্টেমটো স্মাৰ্ট কৰাৰ আহ্বান গ্ৰাহকৰ

# স্মাৰ্ট মিটাৰৰ মহিমাঃ ধন জমা থকাৰ পিছতো নাই বিদ্যুৎ সংযোগ



**ই-সংবাদ ব্যুৰ', নলবাৰী, ৬ মে':** ৰাজ্যত স্মাৰ্ট মিটাৰ সংযোগৰ সৰ্বত্ৰে বিৰোধিতা তথা ঠায়ে ঠায়ে প্ৰতিবাদ হৈ থকাৰ সময়তে নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ এজন ভুক্তভোগী গ্ৰাহকে এপিডিচিএললৈ এনেদৰে আহ্বান জনাইছে। আপোনালোকে মিটাৰহে স্মাৰ্ট দিছে, ছিষ্টেমটোও স্মাৰ্ট বনাওক। এই ব্যৱস্থাটো আৰু ইয়াত নিয়োজিত মানুহখিনিক স্মাৰ্ট শেষাংশ ৯ পৃষ্ঠাত

# নীৰৱ সাংবাদিক ভাগ্য কলিতাৰ অকাল মৃত্যু

## শোকস্তব্ধ সাংবাদিক মহল

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৬ মে':** নীৰৱ সাংবাদিক, তিনিচুকীয়াৰ বৰপথাৰ নিবাসী, সুদীৰ্ঘ বছৰ ধৰি বিভিন্ন সংবাদ মাধ্যমৰ লগত জড়িত, জাৰ্নেলিষ্ট ইউনিয়ন অৱ আছামৰ তিনিচুকীয়া জিলা সমিতিৰ সক্ৰিয় সদস্য ভাগ্যজ্যোতি কলিতাই কালি নিশা অসম শেষাংশ ১১ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৱ'মেন ট্ৰেফিকিঙৰ জালত পৰাৰ সন্দেহ

ছাত্ৰী দুগৰাকী বহিঃৰাজ্য বিহাৰত থকা বুলি পোৱা তথ্যই পৰিয়াল তথা স্থানীয় ৰাইজক চিন্তিত কৰি তুলিছে। নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰী দুগৰাকী নাৰী সৰবৰাহকাৰীৰ কবলত পৰাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে। ছাত্ৰী দুগৰাকীৰ সন্ধানহীন সন্দৰ্ভত দদৰা আৰক্ষীয়ে তদন্ত চলাই উদ্ধাৰ কৰিছে বিস্ফোৰক তথ্য। বিহাৰত বিয়া হোৱা এগৰাকী যুৱতী জড়িত থকাৰ সন্দেহ স্থানীয় ৰাইজৰ। কিয়নো মহিলাগৰাকীৰ সৈতে যোগসূত্ৰ হৈ বিহাৰ পাইছিলগৈ দুই ছাত্ৰী। বিহাৰত বিয়া হোৱা যুৱতীগৰাকীৰ পিতৃ-মাতৃ শিঙিমাৰী মাজৰচুপা অঞ্চলত দীৰ্ঘদিনৰ পৰা ভাৰাতীয়া হিচাপে বসবাস কৰি আহিছে। স্থানীয় মহিলাসকলে পিতৃৰ ভাৰাঘৰত থকা যুৱতীগৰাকীক সোধা-পোছা কৰাত তেওঁৰ মোবাইলত ছাত্ৰী দুগৰাকীয়ে ফোন কৰাৰ কথা স্বীকাৰ কৰে। বিহাৰ যোৱাৰ পূৰ্বে মহিলাগৰাকীৰ মোবাইলেৰে বিহাৰত যোগাযোগ কৰিছিল ছাত্ৰী দুগৰাকীয়ে। আনহাতে দদৰা আৰক্ষীয়ে যুৱতীগৰাকীক সোধা-পোছা কৰাত সকলো স্বীকাৰ কৰিছে যুৱতীগৰাকীয়ে। উল্লেখ্য, বিদ্যালয়লৈ বুলি ওলাই যোৱাৰে পৰা নিৰুদ্দেশ হৈছিল নৱম শ্ৰেণীৰ ছাত্ৰী দুগৰাকী। নিৰুদ্দেশ হোৱা ছাত্ৰী দুগৰাকীক বহিঃৰাজ্যৰ পৰা উদ্ধাৰ উদ্ধাৰৰ বাবে স্থানীয় ৰাইজে অসম আৰক্ষী আৰু মুখ্যমন্ত্ৰীক উদ্ধাৰৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৱেবছাইটত প্ৰকাশ ন্যায়াধীশৰ সম্পত্তি

তালিকা। উচ্চতম ন্যায়ালয়ৰ ৱেবছাইটত প্ৰকাশ কৰা হ'ল ন্যায়াধীশসকলৰ সম্পত্তিৰ সবিশেষ তথ্য। অৱসৰী ন্যায়াধীশ সঞ্জীৱ খান্নাৰ লগতে অন্যান্য ন্যায়াধীশসকলৰ সম্পত্তিৰ বিৱৰণ ৱেবছাইটটোত আপলোড কৰা হৈছে। ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ চৰকাৰী চৌহদৰ পৰা নোট উদ্ধাৰ সন্দৰ্ভত হোৱা বিতৰ্কৰ পিছত ন্যায়পালিকাক অধিক স্বচ্ছ কৰি ৰখাৰ লক্ষ্যৰে এই সিদ্ধান্ত লোৱা হৈছে। ন্যায়াধীশৰ সম্পত্তিৰ সবিশেষ ৰাজহুৱা কৰাৰ উদাহৰণ ভাৰতত এয়ে প্ৰথম। ৱেবছাইটত ৩৩ জন ন্যায়াধীশৰ ভিতৰত ২২ জনৰ সম্পত্তিৰ সবিশেষ আপলোড কৰা হৈছে আৰু বাকীসকলে উচ্চতম ন্যায়ালয়ক ব্যক্তিগতভাৱে এই তথ্য জমা দিছে। ন্যায়াধীশ সঞ্জীৱ খান্নাৰ লগতে এনে কেইজনমান ন্যায়াধীশৰ সম্পত্তি ৰাজহুৱাকৈ উপলব্ধ কৰা হৈছে যি খান্নাৰ অৱসৰৰ পিছত দেশৰ মুখ্য ন্যায়াধীশৰ আসনত বহিব পাৰে। ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ চৰকাৰী চৌহদৰ পৰা নোট উদ্ধাৰ সন্দৰ্ভত হোৱা বিতৰ্কৰ পিছতে এই সিদ্ধান্ত লোৱা হৈছে। উচ্চতম ন্যায়ালয়ৰ ৱেবছাইটত প্ৰদান কৰা তথ্য অনুসৰি, মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাৰ দক্ষিণ দিল্লীত এটা ডিডিএ ফ্লেট আছে আৰু দিল্লীৰ কমনৱেলথ গেমছ ভিলেজত দ্বৈত পাৰ্কিং আস্থানৰ সৈতে এটা ফ্লেট আছে, যাৰ ছুপাৰ এৰিয়া ২৪৪৬ বৰ্গফুট। গুৰুগ্ৰামৰ ছেক্টৰ ৪৯-ৰ চিম্পাল বিহাৰৰ এটা চাৰিটা শোৱা কোঠাযুক্ত ফ্লেটত তেওঁৰ ৫৬ শতাংশ অংশ আছে, যাৰ ২০১৬ বৰ্গফুট ছুপাৰ এলেকা আছে। ইয়াৰ উপৰি, দেৰৱাজ খান্নাৰ আংশিক গৰাকী হিচাপে হিমাচল প্ৰদেশৰ ডালহৌচিত এক অবিভক্ত ভূমিৰ সৈতে তেওঁৰ এটা ঘৰত অংশ আছে। এফডিআৰ আৰু বেংক একাউণ্টত প্ৰায় ৫৫,৭৫,০০০ টকা, পিপিএফত প্ৰায় ১ কোটি ৬ লাখ ৮৬ হাজাৰ টকা, জিপিএফত ১ কোটি ৭৭ লাখ ৮৯ হাজাৰ, এলআইচি মানি বেক পলিচি বাৰ্ষিক প্ৰিমিয়াম ২৯,৬২৫ টকা, ১৪ হাজাৰ টকা মূল্যৰ শ্বেয়াৰ, ২৫০ গ্ৰাম সোণ, ২ কিলোগ্ৰাম ৰূপ আছে। সোণ আৰু ৰূপ বেছিভাগ উত্তৰাধিকাৰী হিচাপে পোৱা গৈছে বা উপহাৰ হিচাপে লাভ কৰা হৈছে। ইয়াৰ উপৰি ২০১৫ চনৰ মডেলৰ এখন মাৰুতি ছুইফট গাড়ী আছে। তেওঁৰ এফডিআৰ আৰু বেংক একাউণ্টত আছে মুঠ ৫৫ লাখ ৭৫ হাজাৰ টকা। তেওঁৰ পত্নীৰ ওচৰত ৭০০ গ্ৰাম সোণ, ৫ কিলোগ্ৰাম ৰূপ, কেইটামান হীৰাৰ আঙঠি, পেণ্ডেণ্ট আৰু কাণফুলি আছে। তেওঁৰ ওচৰত কিছুমান মুক্তা আৰু প্ৰবালৰ নেকলেছ আছে। ইয়াৰে বেছিভাগ সামগ্ৰী উত্তৰাধিকাৰী হিচাপে পোৱা বা বিশেষ অনুষ্ঠানত উপহাৰ হিচাপে দিয়া বুলি তথ্য প্ৰদান কৰা হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এপিএছচি কেচৰ ৰাজসাক্ষী মৃগেন শইকীয়াৰ

শইকীয়াই। জানিব পৰা মতে, হৃদৰোগত আক্ৰান্ত হৈ আকস্মিক মৃত্যুক সাবটি লয় প্ৰাক্তন পশু চিকিৎসকগৰাকীয়ে। অসম কঁপাই যোৱা অসম লোকসেৱা আয়োগৰ বৃহৎ নিযুক্তি কেলেংকাৰীৰ ৰাজসাক্ষী আছিল মৃগেন শইকীয়া। উক্ত নিযুক্তি কেলেংকাৰী সম্পৰ্কে ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত হোৱা ন্যায়িক তদন্তৰ সময়ত কেতবোৰ বিস্ফোৰক তথ্য সদৰী কৰিছিল ডাঃ শইকীয়াই। নিজেও লোকসেৱা আয়োগৰ নিযুক্তি কেলেংকাৰীৰ মূল অভিযুক্তসকলৰ ভিতৰত এজন আছিল শইকীয়া। ৰাকেশ পালৰ অতি ঘনিষ্ঠ হিচাপে পৰিচিত আছিল ডাঃ মৃগেন শইকীয়া। তেওঁ ৰাকেশ পালৰ দুৰ্নীতি সম্পৰ্কে বিস্ফোৰক তথ্য ন্যায়িক তদন্ত কমিটীৰ আগত প্ৰকাশ কৰিছিল। ৰাকেশ পালে কাৰ পৰা কিমান টকাৰ বিনিময়ত চাকৰি দিছিল সেয়া সাক্ষী দিছিল অভিযুক্ত তথা সাক্ষী ডাঃ মৃগেন শইকীয়াই। আনকি ৰাকেশ পালৰ নৈতিক চৰিত্ৰৰ বিষয়েও শইকীয়াই কমিটীক সদৰী কৰিছিল। শইকীয়াই দুগৰাকী মহিলাৰ নাম উল্লেখ কৰিছিল, যাক ৰাকেশ পালে শাৰীৰিক সম্পৰ্কৰ বিনিময়ত বক্ৰপথেৰে চাকৰি প্ৰদান কৰাৰ অভিযোগ উত্থাপন হৈছিল। আনকি তদানীন্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ তথা বৰ্তমানৰ সাংসদ গৌৰৱ গগৈৰ বিয়াত ৰাকেশ পালে মূল্যৱান সোণৰ অলংকাৰ উপহাৰ দিয়াৰ কথাও ডাঃ মৃগেন শইকীয়াই তদন্ত কমিটীক অৱগত কৰিছিল। শইকীয়াই তদন্ত কমিটীৰ আগত তদানীন্তন কৃষক নেতা অখিল গগৈ, কমল কুমাৰ মেধি আৰু আৰ টি আই কৰ্মী দুলাল বৰাৰ নামো উক্ত কেলেংকাৰীৰ সৈতে জড়িত কৰিছিল। কমল কুমাৰ মেধিয়ে তিনি লাখ আৰু দুলাল বৰাই দুই লাখ টকা উৎকোচ লোৱা বুলি সাক্ষী দিছিল ডাঃ মৃগেন শইকীয়াই। ইয়াৰ পিছতে ৰাজ্যত শাসক-বিৰোধীৰ মাজত বিধানসভাৰ ভিতৰে-বাহিৰে এক তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছিল। এতিয়া ডাঃ শইকীয়াৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে বিশেষকৈ ন্যায়িক তদন্তৰ সময়ত শইকীয়াই উদঙাই দিয়া স্পৰ্শকাতৰ তথ্য সম্পৰ্কে গোচৰটোৰ পুনৰ পৰীক্ষাৰ দাবী উত্থাপন হৈছে। লগতে শইকীয়াৰ মৃত্যুত গোচৰটো সম্পৰ্কীয় বহু তথ্য নোহোৱা হৈ যাব বুলিও উদ্বিগ্ন হৈ পৰিছে সচেতন সমাজ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গোৰেশ্বৰত সন্ধানহীন মহিলা, হত্যাৰ সন্দেহ

চুলি আৰু তেজৰ চেকুৰা উদ্ধাৰ হোৱাত ধৰ্ষণ কৰি হত্যাৰ সন্দেহ সৃষ্টি হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘৰৰ পিছফালে বাৰীত তেজৰ চেকুৰা আৰু চুলি উদ্ধাৰ হোৱাত সেয়া মহিলাগৰাকীৰ বুলি সন্দেহ কৰিছে পৰিয়াল আৰু ৰাইজে। গোৰেশ্বৰৰ কলবাৰীত সংঘটিত হৈছে এই ঘটনা। জানিব পৰা মতে, কলবাৰীৰ বাসিন্দা নন্দী ৰাজবংশীৰ পত্নী মমী ৰাজবংশী সোমবাৰে সন্ধিয়া ৫ বজাৰ পৰা নিৰুদ্দেশ হৈ আছিল। পথাৰত গৰু নিবলৈ আহি নিৰুদ্দেশ হৈছিল মমী ৰাজবংশী। পৰিয়ালে বিচাৰ-খোঁচাৰ কৰি শুংসূত্ৰ উদ্ধাৰ কৰিব পৰা নাছিল যদিও আজি বাৰীত তেজৰ চেকুৰা আৰু চুলি উদ্ধাৰ হয়। তাৰ পিছতে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। গোৰেশ্বৰ আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে যদিও মহিলাগৰাকীক হত্যা আৰু ধৰ্ষণ কৰাৰ সন্দেহত আৰক্ষীয়ে আটক কৰে একেখন গাঁৱৰে কল্যাণ ৰাজবংশী নামৰ এজন যুৱকক। যুৱকজনক আটক কৰাৰ লগে লগে সৃষ্টি হয় এক উত্তপ্ত পৰিস্থিতিৰ। কল্যাণ ৰাজবংশীৰ বাসগৃহ ভাঙি তচনচ কৰে উত্তেজিত ৰাইজে। আৰক্ষীৰ তদন্তৰ সময়ত সন্দেহজনক আচৰণ কৰাৰ পিছতে আটক কৰা হয় যুৱকজনক। বৰ্তমানলৈ উদ্ধাৰ হোৱা নাই মহিলাগৰাকী। মহিলাগৰাকীক ধৰ্ষণ কৰি হত্যা কৰাৰ সন্দেহ চুবুৰীয়া ৰাইজৰ। মহিলাগৰাকীক শীঘ্ৰে উদ্ধাৰৰ ব্যৱস্থা কৰাৰ লগতে দোষীক কঠোৰ শাস্তিৰ দাবী জনাইছে ৰাইজে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি ১৩ জিলাত দ্বিতীয় পৰ্যায়ৰ ভোট

নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি পুৱা ৭ বজাত আৰম্ভ হোৱা এই ভোটগ্ৰহণ বিয়লি ৪.৩০ বজাত অন্ত পৰিব। নামনি আৰু মধ্য অসমৰ মুঠ ১৩ খন জিলাত এই দ্বিতীয় পৰ্যায়ৰ ভোট গ্ৰহণ অনুষ্ঠিত হ'ব। দ্বিতীয় পৰ্যায়ৰ ভোট গ্ৰহণ অনুষ্ঠিত হ'বলগীয়া জিলাকেইখন হৈছে ক্ৰমে ধুবুৰী, দক্ষিণ শালমৰা, মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ (মেট্ৰ'), হোজাই, নগাঁও, মৰিগাঁও আৰু দৰং। এই ১৩ খন জিলাৰ মুঠ ১২,১৩০ টা ভোট কেন্দ্ৰত ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। উল্লেখ্য যে বুধবাৰে ভোটগ্ৰহণ হোৱাৰ পূৰ্বে ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিয়ম অনুসৰি সোমবাৰেই নিৰ্বাচনী প্ৰচাৰৰ সামৰণি পৰে। উল্লেখ্য যে ৭ মে'ত অনুষ্ঠিত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত যদি কোনো বিসংগতি বা অনিয়ন্ত্ৰিত পৰিস্থিতিৰ সৃষ্টি হয় তেন্তে ৯ মে'ত তেনে ভোট কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত মুঠ ৯১,৩১,১২৭ গৰাকী ভোটাৰে অংশগ্ৰহণ কৰিব। ইয়াৰে ৪৬,৩০,৯২৪ গৰাকী পুৰুষ, ৪৪,৯৯,৯৫২ গৰাকী মহিলা আৰু ২৫১ গৰাকী তৃতীয় লিংগৰ ভোটাৰ বুলি জানিবলৈ পোৱা গৈছে। আনহাতে, দ্বিতীয় পৰ্যায়ত ১৩ খন জিলাত মুঠ ২৯,৬০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। উল্লেখ্য যে ইয়াৰে ২১ গৰাকী জিলা পৰিষদৰ সদস্য, ১৫১ গৰাকী আঞ্চলিক পৰিষদৰ সদস্য আৰু ১,১১৭ গৰাকী গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্যই ইতিমধ্যেই বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয় লাভ কৰিছে। কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আশ্বাস দিছে যে ভোটগ্ৰহণৰ বাবে নিৰাপত্তাকে ধৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা ইতিমধ্যে জিলা প্ৰশাসনে নিশ্চিত কৰিছে। কামৰূপৰ ১,৩৩৩ টা ভোট কেন্দ্ৰৰ ভিতৰত ১,২৭৪ টা ভোট কেন্দ্ৰতহে ভোটগ্ৰহণ হ'ব, কিয়নো ইতিমধ্যে ৫৯ টা কেন্দ্ৰত বিনা প্ৰতিদ্বন্দ্বিতাত জয়লাভ হৈছে। কামৰূপত বিশেষ ব্যৱস্থাৰ ভিতৰত আছে কেৱল মহিলাৰ বাবে ৪৪ টা ভোট কেন্দ্ৰ। সমগ্ৰ জিলাত ১,২৭৪ জন প্ৰিজাইডিং বিষয়াকে ধৰি ৫ হাজাৰৰো অধিক নিৰ্বাচনী কৰ্মীক নিয়োগ কৰা হৈছে। উল্লেখ্যযোগ্য যে ২ মে'ত অসমৰ ১৪ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈ যায়। প্ৰথম পৰ্যায়ত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাত ভোট গ্ৰহণ অনুষ্ঠিত হয়। ইফালে ২ মে'ত অনুষ্ঠিত হোৱা ভোট গ্ৰহণৰ সময়ত সংঘটিত হোৱা বিসংগতিৰ বাবে ৪ মে'ত পুনৰ ৫ খন জিলাৰ ৪৩ টা ভোটকেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত কৰে ৰাজ্যিক নিৰ্বাচন আয়োগে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# খিলঞ্জীয়া মুছলমানৰ বাবে হ'ব

নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি পুৱা ৭ বজাত আৰম্ভ হোৱা এই ভোটগ্ৰহণ বিয়লি ৪.৩০ বজাত অন্ত পৰিব। নামনি আৰু মধ্য অসমৰ মুঠ ১৩ খন জিলাত এই দ্বিতীয় পৰ্যায়ৰ ভোট গ্ৰহণ অনুষ্ঠিত হ'ব। দ্বিতীয় পৰ্যায়ৰ ভোট গ্ৰহণ অনুষ্ঠিত হ'বলগীয়া জিলাকেইখন হৈছে ক্ৰমে ধুবুৰী, দক্ষিণ শালমৰা, মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ (মেট্ৰ'), হোজাই, নগাঁও, মৰিগাঁও আৰু দৰং। এই ১৩ খন জিলাৰ মুঠ ১২,১৩০ টা ভোট কেন্দ্ৰত ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। উল্লেখ্য যে বুধবাৰে ভোটগ্ৰহণ হোৱাৰ পূৰ্বে ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিয়ম অনুসৰি সোমবাৰেই নিৰ্বাচনী প্ৰচাৰৰ সামৰণি পৰে। উল্লেখ্য যে ৭ মে'ত অনুষ্ঠিত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত যদি কোনো বিসংগতি বা অনিয়ন্ত্ৰিত পৰিস্থিতিৰ সৃষ্টি হয় তেন্তে ৯ মে'ত তেনে ভোট কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত মুঠ ৯১,৩১,১২৭ গৰাকী ভোটাৰে অংশগ্ৰহণ কৰিব। ইয়াৰে ৪৬,৩০,৯২৪ গৰাকী পুৰুষ, ৪৪,৯৯,৯৫২ গৰাকী মহিলা আৰু ২৫১ গৰাকী তৃতীয় লিংগৰ ভোটাৰ বুলি জানিবলৈ পোৱা গৈছে। আনহাতে, দ্বিতীয় পৰ্যায়ত ১৩ খন জিলাত মুঠ ২৯,৬০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। উল্লেখ্য যে ইয়াৰে ২১ গৰাকী জিলা পৰিষদৰ সদস্য, ১৫১ গৰাকী আঞ্চলিক পৰিষদৰ সদস্য আৰু ১,১১৭ গৰাকী গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্যই ইতিমধ্যেই বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয় লাভ কৰিছে। কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আশ্বাস দিছে যে ভোটগ্ৰহণৰ বাবে নিৰাপত্তাকে ধৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা ইতিমধ্যে জিলা প্ৰশাসনে নিশ্চিত কৰিছে। কামৰূপৰ ১,৩৩৩ টা ভোট কেন্দ্ৰৰ ভিতৰত ১,২৭৪ টা ভোট কেন্দ্ৰতহে ভোটগ্ৰহণ হ'ব, কিয়নো ইতিমধ্যে ৫৯ টা কেন্দ্ৰত বিনা প্ৰতিদ্বন্দ্বিতাত জয়লাভ হৈছে। কামৰূপত বিশেষ ব্যৱস্থাৰ ভিতৰত আছে কেৱল মহিলাৰ বাবে ৪৪ টা ভোট কেন্দ্ৰ। সমগ্ৰ জিলাত ১,২৭৪ জন প্ৰিজাইডিং বিষয়াকে ধৰি ৫ হাজাৰৰো অধিক নিৰ্বাচনী কৰ্মীক নিয়োগ কৰা হৈছে। উল্লেখ্যযোগ্য যে ২ মে'ত অসমৰ ১৪ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈ যায়। প্ৰথম পৰ্যায়ত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাত ভোট গ্ৰহণ অনুষ্ঠিত হয়। ইফালে ২ মে'ত অনুষ্ঠিত হোৱা ভোট গ্ৰহণৰ সময়ত সংঘটিত হোৱা বিসংগতিৰ বাবে ৪ মে'ত পুনৰ ৫ খন জিলাৰ ৪৩ টা ভোটকেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত কৰে ৰাজ্যিক নিৰ্বাচন আয়োগে।

# সমাজকৰ্মী পৰাগ দত্তৰ বিয়োগ, বৰপথাৰত শোক

**ই-সংবাদ, সৰুপথাৰ, ৬ মে':** গোলাঘাট জিলাৰ বৰপথাৰৰ নগৰৰ ২ নং ৱাৰ্ডৰ নিবাসী বিশিষ্ট সমাজকৰ্মী তথা ধনশিৰি বাছ মালিক সন্থাৰ সাধাৰণ সম্পাদক পৰাগ দত্ত(৬১)ৰ কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু ঘটে। বিশিষ্ট সমাজকৰ্মী তথা ব্যৱসায়ীগৰাকীৰ মৃত্যুত বৰপথাৰ অঞ্চলত শোকৰ ছাঁ পৰিছে। জানিব পৰা মতে, উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ বিগত দুমাহ ধৰি তেওঁ গুৱাহাটীৰ জি এন আৰ চি হাস্পতালত চিকিৎসাধীন হৈ আছিল। কালি বিয়লি তেওঁৰ গুৱাহাটীতে মৃত্যু ঘটে। এসময়ৰ বৰপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতিৰ দ্বায়িত্ব বহন কৰি অসম আন্দোলনত জড়িত হৈ পৰা পৰাগ দত্তই পৰৱৰ্তী সময়ত অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুত বৰপথাৰ অঞ্চলিক ছাত্ৰ সন্থা, ধনশিৰি বাছ মালিক সন্থা, বৰপথাৰ ব্যৱসায়ী সন্থা, বৰপথাৰ উইংগাৰ মালিক সন্থা, বৰপথাৰ শংকৰদেৱ শিশুনিকেতন, বৰপথাৰ জাতীয় বিদ্যালয়ৰ লগতে ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে। বৰপথাৰ ব্যৱসায়ী সন্থাই বিশিষ্ট ব্যৱসায়ীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই কাইলৈ দুঘণ্টাৰ বাবে ব্যৱসায়ী প্ৰতিষ্ঠানসমূহ বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মৃত্যুৰ সময়ত বিশিষ্ট ব্যৱসায়ীগৰাকীয়ে পত্নী, কন্যা, পুত্ৰৰ লগতে বহু আত্মীয় স্বজনক এৰি থৈ যায়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ‘বিভাজনৰ ৰাজনীতি কৰিছে

চেঙা ব্লক কংগ্ৰেছৰ সভাপতি বছিৰ উদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত কংগ্ৰেছৰ বিশাল জনসভাত উপস্থিত থাকে মহিলা কংগ্ৰেছ কমিটীৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামী, প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ তথা উপ-সভাপতি মেহদী আলম বৰাৰ লগতে প্ৰদেশ কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ অধ্যক্ষ ছোলেমান খান। মীৰা গোস্বামীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে এআইইউডিএফ আৰু অগপক ক্ষুৰধাৰ সমালোচনা কৰি কংগ্ৰেছৰ প্ৰাৰ্থীসকলক বিপুল ভোটত জয়ী কৰাবলৈ ৰাইজক আহ্বান জনায়। অসমৰ মূল সমস্যাবোৰৰ পৰা ফালৰি কাটি কেৱল ভোটৰ লালসাত বিভাজন কৰি ভাগ ভাগ কৰি বিজেপিয়ে নিজৰ মুনাফা আদায় কৰিছে বুলি উল্লেখ কৰে লগতে অগপৰ হাতীৰ মাউত এতিয়া মুখ্যমন্ত্ৰী। কেতিয়াবা অতুল বৰাক খোঁচা মাৰে আকৌ কেতিয়াবা কেশৱ মহন্তক খোঁচা মাৰে বুলি অগপ দলক সমালোচনা কৰাৰ লগতে এআইইউডিএফৰ মূল মানুহজনেই বহি পৰিছে বুলি কয়। মুঠতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভেল্কীবাজি ৰাজনীতি কৰি আহিছে বুলি কটাক্ষ কৰাৰ লগতে জলজলী নৈৰ ওপৰত শিমলীতোলা-বাঘমাৰা চৰ সংযোগী পকী দলং সাংসদ ৰকিবুল হুছেইনে কৰি দিব বুলি কয় মীৰা বৰঠাকুৰে। সভাত প্ৰদেশ যুৱ কংগ্ৰেছৰ সম্পাদক তথা চেঙা সমষ্টিৰ যুৱনেতা আনোৱাৰ হুছেইন, চেঙা ব্লক কংগ্ৰেছৰ সম্পাদক তাইজুদ্দিন আহমেদ, চেঙা ব্লক মহিলা কংগ্ৰেছৰ সভাপতি শ্বাহানা আকতাৰ, ১৬ নং বাঘমাৰা জিলা পৰিষদ সমষ্টিৰ কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী আকলিমা খাতুন, আঞ্চলিক সদস্য পদৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী শাহানুৰ আলমকে ধৰি বহু নেতা-কৰ্মী উপস্থিত থাকি কংগ্ৰেছৰ প্ৰাৰ্থীসকলক বিপুল ভোটত জয়যুক্ত কৰিবলৈ আহ্বান জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চোৰাং চিকাৰ ৰোধৰ বাবে গঠন হ’ব বন

সঞ্চালকপ্ৰধানগৰাকীয়ে মানাহত চোৰাং চিকাৰীৰ হাতত বন্যহস্তী নিধন হোৱা সন্দৰ্ভত কেতবোৰ গুৰুত্বপূৰ্ণ আলোচনা কৰে। বহু সময় ধৰি হোৱা আলোচনাৰ অন্তত চোৰাং চিকাৰীয়ে বন্যহস্তী হত্যা কৰাৰ ৪৮ ঘন্টাৰ ভিতৰত তিনিজনকৈ চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা চিৰাং জিলা আৰক্ষীক ধন্যবাদ জনায় আৰক্ষী সঞ্চালকপ্ৰধান হৰমীত সিঙে। আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে চোৰাং চিকাৰ সন্দৰ্ভত কিবা সন্দেহ লাভ কৰিলে আৰক্ষীৰ সৈতে যোগাযোগৰ আহ্বান জনায় সংবাদকৰ্মী তথা স্থানীয় ৰাইজক। আমি বন বিভাগ আৰু আৰক্ষী টীম অসম হিচাপে কাম কৰিম বুলিও জনায়। নামনি অসমৰ লগতে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ চোৰাং চিকাৰীৰ নেটৱৰ্ক উৎখাতৰ বাবে আমি চেষ্টা কৰিম বুলি মন্তব্য কৰে আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# স্মাৰ্ট মিটাৰৰ মহিমাঃ ধন জমা থকাৰ

বনাওক। নহ’লে বিদ্যুতৰ গ্ৰাহকসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে। এই ব্যৱস্থাটোত যথেষ্ট আঁসোৱাহ থকাৰ কথা উল্লেখ কৰে। নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ ক্ষুদ্ৰ ব্যৱসায়ী ভ্ৰমৰ মজুমদাৰে অতিষ্ঠ হৈ এনেদৰে এপিডিচিএললৈ আহ্বান জনাইছে। নলবাৰী মেডিকেল কলেজ ৰোডৰ ঘগ্ৰাপাৰ চ’কত থকা ৫০ বছৰ অতিক্ৰম কৰা পূব নলবাৰী অঞ্চলৰ প্ৰথমটো ধান বনা “কমলা দেৱী” নামৰ মিলৰ বিদ্যুতৰ মাচুল পিছতো বিদ্যুতৰ সংযোগ বিচ্ছিন্ন কৰাত ভ্ৰমৰ মজুমদাৰ ক্ষোভিত হৈ পৰে। যাৰ ফলত তেওঁৰ মিললৈ ধান, সৰিয়হ আনি বানিব অহা বহু স্হানীয় লোক অনাহকত বহু সময় বহি থাকিবলগীয়া হয়। আজি দিনৰ ভাগত বতৰ বেয়া হোৱাত বিদ্যুৎ বিচ্ছিন্ন হৈছিল যদিও পুনৰ বিদ্যুৎ অহাৰ পিছতে স্মাৰ্ট মিটাৰে লগালে খেলিমেলি। বিদ্যুতৰ বিল ১১০০ টকাৰ অধিক জমা থকা সত্বেও এক-ডেৰ ঘন্টা ধৰি বিদ্যুৎ অ’নলাইন যোগে আগতীয়াকৈ পৰিশোধ কৰাৰ সংযোগ নোপোৱাটো দুৰ্ভাগ্যজনক বিষয় বুলি মত ব্যক্ত কৰে। স্মাৰ্ট মিটাৰৰ মহিমা, ধন জমা থকাৰ পিছতো নিদিয়ে বিদ্যুৎ সংযোগ। বিভাগৰ ব্যক্তিৰ সৈতে যোগাযোগ কৰাৰ পিছতো বিষয়টোত গুৰুত্ব প্ৰদান নকৰাত তেওঁ দুখ প্ৰকাশ কৰে। তদুপৰি তেওঁ এপিডিচিএলয়ে অকল পইচাটো ল’লে নহয় গ্ৰাহকক কি ধৰণে সেৱা আগবঢ়াব পাৰি তাৰ প্ৰতিও অলপ চিন্তা-চৰ্চা কৰিবলৈ আহ্বান জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# সান্যালেৰকুঠীত নিৰ্বাচনকেন্দ্ৰিক হিংসা

আৰু খবিৰ আলী বিজেপিৰ সমৰ্থক। যোৱানিশা ৯ বজাত একে গাঁৱৰে শৈলেন ৰায় নামৰ এজন বিজেপি কৰ্মী ছাবিৰ আলীৰ ঘৰত প্ৰবেশ কৰে। তেনে সময়তে গাঁওখনৰ কংগ্ৰেছ নেতা আব্দুল আজিজ বেপাৰীৰ নেতৃত্বত এটা দলে চোকা অস্ত্ৰৰে আক্ৰমণ কৰিবলৈ উদ্যত হয়। কিন্তু অৱস্থা বিষম দেখি শৈলেনে পলায়ন কৰি জীৱন ৰক্ষা কৰে। কিছু সময় পিছত পুনৰ কংগ্ৰেছ নেতা আব্দুল আজিজ ৱাৰ্ডটোৰ নিৰ্দলীয় প্ৰাৰ্থী আয়েশা খাতুনৰ নেতৃত্বত সাইদুল, সাৰিকুল, বানেচা বিবি, আবু বক্কৰ ছিদ্দিক, আজিজুৰ ৰহমান, সফিয়ৰ আলম, মহিবুল হক, ৰছিদুল হককে ধৰি ২০ জনীয়া চোকা অস্ত্ৰৰে সজ্জিত এটা দলে ছাবিৰ আলী আৰু খবিৰ আলীৰ ঘৰত অতৰ্কিতে আক্ৰমণ চলায়। ছাবিৰ আলী তেওঁৰ পুত্ৰ খবিৰ আলীকে ধৰি পৰিয়াল দুটাৰ পুৰুষ-মহিলা সকলোকে মাৰপিট কৰি আহত কৰে। নিশাতে আগমনি আৰক্ষীক খবৰ দিয়াত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ইপিনে এই সন্দৰ্ভত আজি আগমনি থানাত ভুক্তভোগীয়ে এজাহাৰ দাখিল কৰিছে যদিও এতিয়ালৈকে আৰক্ষীয়ে কাকো আটক কৰিব সক্ষম হোৱা নাই।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# শিমলুআটিৰ পথাৰত ধানৰ সলনি

পৰিমাণে ধান খেতিত মনোনিবেশ কৰি পৰিয়াল পোহপাল দি আহিছে। কিন্তু শেহতীয়াভাৱে একাংশ নগঞা কৃষকৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। কাৰণ পথাৰত বহু কষ্টৰে কৰা খেতিডৰাত ধানৰ সলনি ওলাইছে পতান। যাৰ বাবে এইসকল কৃষক চৰম দুশ্চিন্তাত পৰিবলগীয়া হৈছে। আচলতে এই চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে জিলাখনৰ উত্তৰ-পশ্চিম প্ৰান্তৰ শিমলুআটিত। এই শিমলুআটিৰ একাংশ কৃষকৰ পথাৰত ধানৰ সলনি ওলাইছে পতান। কৃষকসকলে পৰম আশাৰে গাৰ ঘাম মাটিত পেলাই কৰা বিঘাই বিঘাই ধান খেতিত ধানৰ পৰিৱৰ্তে ওলাইছে পতান। সেয়ে অধিক পৰিশ্ৰমেৰে গাঁঠিৰ ধন খৰচ কৰি কৃষিকৰ্ম সম্পাদন কৰাৰ পিছত মূৰকত নিজৰ আপোন খেতিডৰাৰ এনে ৰূপ দেখি এতিয়া অসহায় হৈ পৰা দুখীয়া কৃষকসকলে চকুৰে ধোঁৱা-কোৱা দেখিছে। আনকি ভৱিষ্যতৰ কথা চিন্তা কৰি এইসকল দুৰ্ভগীয়া কৃষকে কিংকৰ্তব্যবিমূঢ় হৈ ধান খেতিত পৰি নীৰৱে চকুলো টুকিছে। জানিব পৰা মতে, শিমলুআটিৰ এইসকল কষ্টসহিষ্ণু কৃষকে বটদ্ৰৱাৰ শান্তিজান বজাৰৰ পৰা পেকেটত থকা 'আৰিয়ান' নামৰ ব্ৰেণ্ডৰ ধানৰ বীজ আনি অধিক উৎপাদনৰ আশাত সেই বীজ ৰোপণ কৰিছিল। পিছে এতিয়া খেতিডৰাত ধানৰ সলনি পতানহে ওলোৱাত স্বাভাৱিকতেই চিন্তাগ্ৰস্ত হৈ পৰা এইসকল দৰিদ্ৰ কৃষকে মূৰে-কপালে হাত দিবলগীয়াত পৰিছে। গতিকে অভাৱনীয় লোকচানৰ সন্মুখীন হোৱা এইসকল দুৰ্ভগীয়া কৃষকে শীঘ্ৰে এক তদন্তৰ জৰিয়তে এনে ভেজাল বীজ বিক্ৰী কৰা ব্যৱসায়ী আৰু কোম্পানীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

# সাম্ভাব্য ক্ৰেছ ব্লেকআউটৰ বাবে সাজু থাকিব লাগিব সকলো

## আজি দেশজুৰি যুদ্ধৰ আখৰা, সষ্টম নিৰাপত্তাৰক্ষী

**নতুন দিল্লী, ৬ মে':** কাইলৈ হ'বলগীয়া দেশজোৰা অসামৰিক প্ৰতিৰক্ষা মক ড্ৰিলৰ বাবে সাজু হৈছে ভাৰত। মকড্ৰিলৰ এটা নিৰ্দেশনা অনুসৰি "ক্ৰেছ ব্লেকআউট"ৰ ব্যৱস্থা কৰা হ'ব। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত পাকিস্তানৰ সৈতে উত্তেজনা বৃদ্ধি হোৱাৰ সময়তে এই অনুশীলনটো কৰাৰ সিদ্ধান্ত লোৱা হয়। মক ড্ৰিলৰ সময়ত কৰিব লগা গুৰুত্বপূৰ্ণ পদক্ষেপবোৰৰ ভিতৰত আছে এক 'ক্ৰেছ ব্লেকআউট', যি ব্যৱস্থা সাম্ভাব্য বিমান আক্ৰমণৰ সময়ত লক্ষ্যৰ দৃশ্যমানতা হ্ৰাস কৰাৰ বাবে গঢ়ি তোলা হয়। ভাৰতত অসামৰিক প্ৰতিৰক্ষাৰ সাধাৰণ নীতি নামৰ ২০০৩ চনত প্ৰস্তুত কৰা এখন নথিয়ে বিমান আক্ৰমণৰ সময়ত কি কৰিব লাগে আৰু কেনেদৰে ব্লেকআউট কাৰ্যকৰী কৰিব লাগে তাৰ বিৱৰণ নিৰ্ধাৰণ কৰে। গৃহ মন্ত্ৰালয়ে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক "নতুন আৰু জটিল ভাবুকি"ৰ প্ৰতি সঁহাৰিৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি ৭ মে'ত সম্পূৰ্ণ মক ড্ৰিল অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিছে। ভাৰতৰ ২০০৩ চনৰ অসামৰিক প্ৰতিৰক্ষা মেনুৱেল অনুসৰি, ব্লেকআউটে শত্ৰুৰ পাইলটসকলক বিভ্ৰান্ত কৰে আৰু আকাশী আক্ৰমণৰ সফলতাৰ সম্ভাৱনা হ্ৰাস কৰে। মেনুৱেলখনত স্বাভাৱিক দৃশ্যমানতাৰ পৰিস্থিতিত মাটিৰ স্তৰৰ পৰা ৫০০০ ফুট উচ্চতাত কোনো পোহৰ দৃশ্যমান হ'ব নোৱাৰিব বুলি উল্লেখ কৰা হৈছে। অসামৰিক প্ৰতিৰক্ষা সুৰক্ষা ড্ৰিলৰ সময়ত, পোহৰৰ সীমাবদ্ধতা ক্ৰমান্বয়ে কাৰ্যকৰী কৰা হ'ব, একেলগে নহয়। লগতে পথৰ লাইট, কাৰখানা আৰু বাহনৰ লাইটৰ ক্ষেত্ৰতো নিয়ন্ত্ৰণ প্ৰযোজ্য হ'ব। মেনুৱেল অনুসৰি, অসুৰক্ষিত এলেকাবোৰত সকলো আলোকিত বিজ্ঞাপন নিষিদ্ধ কৰা হ'ব। ষ্ট্ৰীটলাইটবোৰ২০ ফুট উচ্চতাৰ পৰা ২৫ ৱাটৰ বাল্ব বা ৬ ফুট উচ্চতাৰ পৰা হাৰিকেন লেণ্টাৰ্নৰ সমান হ্ৰাস কৰিব লাগিব। কেৱল অট্টালিকাবোৰত পোহৰ ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়া হ'ব যদিহে সেইবোৰ বাহিৰৰপৰা দৃশ্যমান নোহোৱাকৈ ৰখা হয়। কোনো অট্টালিকাত কোনো লাইট ব্যৱহাৰ কৰিব নালাগে যেতিয়ালৈকে ইয়াক অস্বচ্ছ সামগ্ৰীৰ দ্বাৰা পৰীক্ষা কৰা নহয়।



জম্মু-কাশ্মীৰৰ বিদ্যালয়ত মক ড্ৰিলৰ সময়ত নিজকে সুৰক্ষিত কৰাৰ অনুশীলন শিক্ষাৰ্থীৰ, ফটো মঙলবাৰৰ

# ভাৰত-পাক সীমান্তত বায়ুসেনাৰ যুদ্ধৰ অনুশীলন



**নতুন দিল্লী, ৬ মে':** পাক সীমান্তত এইবাৰ বায়ুসেনাই বৃহৎ অনুশীলন আৰম্ভ কৰিছে। কাইলৈৰ পৰা এই দুদিন ধৰি চলিবলগীয়া এই অনুশীলনৰ বাবে বায়ুসেনাক ন'টাম (NOTAM) সতৰ্কতা জাৰি কৰা হৈছে। ন'টামৰ অৰ্থ হৈছে নটিচ টু এয়াৰ মেন। ৭ আৰু ৮ মে'ত মূলতঃ ৰাজস্থানত নিয়ন্ত্ৰণৰেখাৰ সমীপত এই অনুশীলন চলোৱা হ'ব বুলি জানিব পৰা গৈছে। বায়ুসেনাৰ দক্ষিণ পশ্চিম এয়াৰ কমাণ্ডৰ অধীনত পৰে এই অঞ্চল।

# চলিত বৰ্ষতে গগনযান প্ৰকল্পৰ প্ৰথমটো মানৱবিহীন অভিযান

**নতুন দিল্লী, ৬ মে':** ভাৰতৰ প্ৰথম মানৱযুক্ত মহাকাশ অভিযান 'গগনযান'ৰ আপডেট সন্দৰ্ভত আজি দিল্লীৰ ৰাষ্ট্ৰীয় মাধ্যম কেন্দ্ৰত এখন সংবাদমেল অনুষ্ঠিত হয়। এই সংবাদমেলত ইছৰ'ৰ অধ্যক্ষ ভি নাৰায়ণনে কয় যে গগনযান প্ৰকল্পৰ প্ৰথমটো মানৱবিহীন অভিযান এই বছৰৰ শেষত আৰম্ভ হ'ব বুলি আশা কৰা হৈছে। তাৰ পাছত ২০২৬ চনত আৰু দুটা একে ধৰণৰ অভিযান আৰম্ভ কৰা হ'ব। ইফালে, মানৱচালিত গগনযান অভিযানৰ শুভাৰম্ভ ২০২৭ চনলৈ পিছুৱাই দিয়া হৈছে। ইছৰ'ৱে মহাকাশচাৰীসকলক পৃথিৱীৰ নিম্ন কক্ষপথলৈ প্ৰেৰণ কৰাৰ আগতে মানৱবিহীন অভিযানৰ অংশ হিচাপে এটা অৰ্ধ-মানৱ ৰবট 'ব্যোমমিত্ৰ' প্ৰেৰণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৮ চনত স্বাধীনতা দিৱসৰ ভাষণৰ সময়ত গগনযান অভিযানৰ কথা ঘোষণা কৰিছিল। এইটো অভিযান কাৰ্যকৰী কৰাৰ লক্ষ্য ২০২২ চনৰ বাবে নিৰ্ধাৰণ কৰা হৈছিল। ইছৰ'ৰ মুৰব্বীগৰাকীয়ে কয়, 'এই প্ৰকল্পটো কেইবাটাও বিলম্বৰ সন্মুখীন হৈছে। ক'ভিড মহামাৰীৰ ফলত মহাকাশচাৰীসকলৰ প্ৰশিক্ষণ আংশিকভাৱে প্ৰভাৱিত হোৱা আৰু লগতে অভিযানটোৰ বাবে প্ৰয়োজনীয় গুৰুত্বপূৰ্ণ প্ৰযুক্তি আয়ত্ত কৰাত জড়িত জটিলতাৰ বাবে এই অভিযান আৰম্ভ হওঁতো পলম হৈছে। দলটোৰ সৈতে অভিযানটো প্ৰথমতে ২০২৫ চনত আশা কৰা হৈছিল আৰু পিছত ২০২৬ চনৰ বাবে নিৰ্ধাৰিত কৰা হৈছিল। এতিয়া ইয়াক ২০২৭ চনৰ প্ৰথম চতুৰ্থাংশলৈ পিছুৱাই দিয়া হৈছে।

# ৰাজহুৱা কৰা হ'ল ন্যায়াধীশ নিযুক্তিৰ সম্পূৰ্ণ প্ৰক্ৰিয়া

**নতুন দিল্লী, ৬ মে':** উচ্চতম ন্যায়ালয়ে ইয়াৰ ৱেবছাইটত উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ নিযুক্তিৰ সম্পূৰ্ণ প্ৰক্ৰিয়াও আপলোড কৰিছে। ইয়াত অন্তৰ্ভুক্ত আছে উচ্চ ন্যায়ালয়ৰ কলেজিয়ামক আৱণ্টন কৰা ভূমিকা, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰাপ্ত ভূমিকা আৰু ইনপুট, আৰু উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামৰ বিবেচনা। উচ্চতম ন্যায়ালয়ৰ এই সিদ্ধান্ত ৰাজহুৱা তথ্য আৰু সজাগতাৰ বাবে লোৱা হৈছে। এক প্ৰেছ বিজ্ঞপ্তিত উচ্চতম ন্যায়ালয়ে জনায় যে উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে উচ্চ ন্যায়ালয়ত ন্যায়াধীশ নিযুক্তিৰ বাবে গ্ৰহণ কৰা প্ৰস্তাৱসমূহ যেনে- নাম, উচ্চ ন্যায়ালয়, সেৱা বা বাৰ, উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামৰ পৰামৰ্শৰ তাৰিখ, ন্যায়িক বিভাগে আদি সকলো তথ্য আপলোড কৰা হৈছে।

# আজি ২৪৪ খন প্ৰতিৰক্ষা জিলাত মকড্ৰিল

**নতুন দিল্লী, ৬ মে':** দেশৰ ২৪৪ খন শ্ৰেণীভুক্ত অসামৰিক প্ৰতিৰক্ষা জিলাত কাইলৈ অসামৰিক প্ৰতিৰক্ষা অনুশীলন আৰু আখৰা অনুষ্ঠিত হ'ব। প্ৰধান উদ্দেশ্যসমূহৰ ভিতৰত আছে ক্ৰমে- বিমান আক্ৰমণৰ সতৰ্কবাণী ব্যৱস্থাৰ ফলপ্ৰসূতা মূল্যায়ন কৰা, হটলাইন কাৰ্যকৰী কৰা, আইএএফৰ সৈতে ৰেডিঅ' যোগাযোগৰ সংযোগ, নিয়ন্ত্ৰণ কক্ষ আৰু ছায়া কক্ষৰ কাৰ্যক্ষমতা পৰীক্ষা কৰা, দুৰ্ঘটনা প্ৰতিৰোধ ব্যৱস্থাৰ ব্যৱস্থা কৰা আদি।

# ভাৰতত সস্তা হ'ব ব্ৰিটিছ স্কচ হুইস্কি আৰু গাড়ী

**নতুন দিল্লী, ৬ মে':** ইউকে আৰু ভাৰত এক বাণিজ্য চুক্তিত সন্মত হৈছে যিয়ে ইউকে প্ৰতিষ্ঠানসমূহৰ বাবে ভাৰতলৈ হুইস্কি, গাড়ী আৰু অন্যান্য সামগ্ৰী ৰপ্তানি কৰা সহজ কৰি তুলিব, আৰু ভাৰতৰ কাপোৰ আৰু জোতা ৰপ্তানিৰ ওপৰত কৰ হ্ৰাস কৰিব। ব্ৰিটিছ চৰকাৰৰ মতে এই চুক্তিত উপনীত হ'বলৈ দুয়োখন দেশৰ তিনি বছৰ সময় লাগে। ইয়াত ইমিগ্ৰেচন নীতিৰ কোনো পৰিৱৰ্তন অন্তৰ্ভুক্ত কৰা হোৱা নাই। যোৱা বছৰ, ইউকে আৰু ভাৰতৰ মাজত বাণিজ্য ৪২.৬ বিলিয়ন ইউৰো আছিল বৃদ্ধি হোৱাৰ সম্ভাৱনা আছিল আৰু এই চুক্তিয়ে ২০৪০ চনৰ ভিতৰত সেই বাণিজ্য বৰ্ষত অতিৰিক্ত ২৫.৫ বিলিয়ন ইউৰো বৃদ্ধি কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই চুক্তিক এক ঐতিহাসিক মাইলৰ খুঁটি হিচাপে অভিহিত কৰে যি উচ্চাকাংক্ষী আৰু পাৰস্পৰিক ভাৱে লাভজনক। মুক্ত বাণিজ্য চুক্তিৰ ফলস্বৰূপে, ব্ৰিটিছ স্কচ হুইস্কি আৰু গাড়ী ভাৰতত সস্তা হ'ব, আনহাতে ভাৰতীয় আমদানি যেনে পোছাক আৰু চামৰাৰ সামগ্ৰীৰ ওপৰত শুল্ক হ্ৰাস কৰিব।

# ড০ পুষ্প গগৈলৈ পদ্মনাথ

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

গঠন হোৱা আহোম সভাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰঞ্জিত বৰুৱাক সভাপতি, কৃষ্ণকান্ত চেতিয়া, বিভুতি বৰগোহাঁইক যুটীয়া সম্পাদক, দুৰ্লভ গগৈ আৰু দিগন্ত ফুকনক যুটীয়া সম্পাদক হিচাপে লৈ ছখন উপ-সমিতিৰে বৃহৎ আদৰণী সমিতি গঠন কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱাৰ ভাগত চাফাই অভিযান কাৰ্যসূচী ৰখাৰ লগতে মৈদাম তৰ্পণ কৰিব কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি বীৰেন চেতিয়াই। ইয়াৰ পিছতে মুলুংসকলৰ দ্বাৰা ডামফি পূজা অনুষ্ঠিত হ'ব। ৯ বজাত ডিব্ৰুগড় জিলা আদালতৰ সন্মুখত থকা আহোম সভাৰ প্ৰতিষ্ঠাপক সভাপতি সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰিব সদৌ অসম আহোম সভাৰ সম্পাদক তপন গগৈয়ে। ৯.৩০ বজাত আহোম সভাৰ পতাকা উত্তোলন কৰিব সদৌ অসম আহোম সভাৰ সভাপতি শংশাংক নেওগে। উদযাপন সমিতিৰ পতাকা উত্তোলন কৰিব আদৰণী সমিতিৰ সভাপতি ৰঞ্জিত বৰুৱাই। ইয়াৰ পিছতে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি উলিওৱা শোভাযাত্ৰা উদ্বোধনী কৰিব ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জন চাংমায়ে। দিনৰ ১২ বজাৰ পৰা সভাপতি শশাংক নেওগৰ সভাপতিত্ব অনুষ্ঠিত হ'ব লগা মুকলি সভা উদ্বোধন কৰিব ডিব্ৰুগড় সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। মুকলি সভাত বিশিষ্ট লেখক তথা টাই আহোম ভাষা-সাহিত্যৰ গৱেষক ড০ পুষ্প গগৈলৈ আগবঢ়োৱা হ'ব সদৌ অসম আহোম সভাৰ প্ৰতিষ্ঠাপক সভাপতি সাহিত্য কাণ্ডাৰী "পদ্মনাথ গোহাঞিবৰুৱা বঁটা" প্ৰদান কৰা হ'ব। মুকলি সভাত নিদিষ্ট বক্তা হিচাপে উত্তম দুৱৰা, সন্মানীয় অতিথি হিচাপে অসমৰ কেইবাটাও জনগোষ্ঠীয় সংগঠনৰ নেতা বিষয়ববীয়া আদি উপস্থিত থাকিব। আনহাতে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ইন্দ্ৰ গগৈৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে। মুকলি সভাৰ পিছতে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব। ১৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যৰ প্ৰতিখন জিলা, আঞ্চলিক,শাখা সমিতিৰ বিষয়ববীয়া প্ৰতিনিধি উপস্থিত থকাৰ লগতে সকলোৰে উপস্থিতি আৰু সহযোগিতাৰে সাফল্যমণ্ডিত কৰি তোলাৰ কামনা কৰিছে কেন্দ্ৰীয় সমিতিৰ সভাপতি শশাংক নেওগ, সাধাৰণ সম্পাদক তপন কুমাৰ গগৈ আৰু প্ৰচাৰ সমিতিৰ সভাপতি মনজিৎ বৰা আৰু আহ্বায়ক ৰাতুল বুঢ়াগোহাঁয়ে।

# মৰিগাঁৱত ২৩টা মহিলা পৰিচালিত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

মাধ্যমিক বিদ্যালয়, দন্দুৱা মজলীয়া বিদ্যালয়, মণিপুৰ মজলীয়া বিদ্যালয় (বাঁও আৰু দ্বিতীয় খণ্ড), বৰডাবাৰী মজলীয়া বিদ্যালয় (বাঁও), জালুগুটি উচ্চতৰ মাধ্যমিক বিদ্যালয় (পুব আৰু পশ্চিম খণ্ড), চৰাইবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয় (পুব আৰু পশ্চিম খণ্ড)। ৫৩ নং লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত ভোট গ্ৰহণ কেন্দ্ৰকেইটা ক্ৰমে --- ভুৰাগাঁও মধ্য ইংৰাজী বিদ্যালয়, ভুৰাগাঁও মহাবিদ্যালয় (পুব আৰু পশ্চিম), ৰজাগাধোৱা প্ৰাথমিক বিদ্যালয় (প্ৰথম আৰু দ্বিতীয় খণ্ড নতুন), লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয় (পুব আৰু মধ্য), বৰথল দলৈ গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় (পুব), মৈৰাবাৰী মাধ্যমিক বিদ্যালয় আৰু লাহৰীঘাট প্ৰাথমিক বিদ্যালয়। একেদৰে ৫২ নং জাগীৰোড সমষ্টিৰ অন্তৰ্গত ভোট গ্ৰহণ কেন্দ্ৰকেইটা হৈছে ---- মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়, মনাহা মাধ্যমিক বিদ্যালয়, শ্বহীদ লক্ষ্মী ডেকা মাধ্যমিক বিদ্যালয় (সোঁ আৰু বাঁও), জাগীৰোড মহাবিদ্যালয় (সোঁ, বাঁও আৰু মধ্য), নিজ তেতেলীয়া আঞ্চলিক মাধ্যমিক বিদ্যালয়, নেলী মজলীয়া বিদ্যালয় (সোঁ, মধ্য আৰু বাঁও), ধৰমতুল মাধ্যমিক বিদ্যালয় (সোঁ আৰু বাঁও) কেন্দ্ৰ কেইটা। এই ভোটগ্ৰহণ কেন্দ্ৰ কেইটাত প'লিং, প্ৰিজাইডিং, সুৰক্ষা কৰ্মী প্ৰমুখ্যে সকলো মহিলা নিয়োজিত কৰিছে মৰিগাঁও জিলা প্ৰশাসনে।

# নীৰৱ সাংবাদিক ভাগ্য কলিতাৰ অকাল

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত অকাল মৃত্যুক আঁকোৱালি ল'বলগীয়া হোৱাৰ বাতৰিয়ে তিনিচুকীয়াৰ সাংবাদিক মহলত শোকৰ ছাঁ পেলাইছে। কিছুদিন ধৰি জটিল ৰোগত আক্ৰান্ত হৈ থকা সাংবাদিকগৰাকীয়ে প্ৰায় ডেৰ দশক ধৰি সংবাদ জগতৰ সৈতে জড়িত আছিল। কেইবাটাও চেনেলত ভিডিঅ' সাংবাদিক হিচাপে নিষ্ঠাৰে সাংবাদিকতা কৰা ভাগ্য কলিতাই শেহতীয়াকৈ প'ৰ্টেল সাংবাদিক হিচাপে সততাৰে সংবাদ সেৱা আগবঢ়াই আহিছিল। মৃত্যুৰ সময়ত সাংবাদিকগৰাকীৰ বয়স হৈছিল ৩৭ বছৰ। তিনিচুকীয়াত সকলোৰে মাজত জনপ্ৰিয় সাংবাদিকগৰাকীয়ে মৃত্যুৰ সময়ত মাতৃ, দুগৰাকী বিবাহিত জ্যেষ্ঠ ভগ্নী, এগৰাকী অবিবাহিত জ্যেষ্ঠ ভগ্নীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি গৈছে। আজি তেওঁৰ মৃতদেহ পুষ্পসজ্জিত বাহনেৰে তিনিচুকীয়া সদৰৰ থানা চাৰিআলিলৈ অনাৰ পিছত তিনিচুকীয়াৰ বিধায়ক, প্ৰাক্তন মন্ত্ৰী সঞ্জয় কিষাণ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা কণ গগৈ, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক সমৰজ্যোতি গোহাঁই, টাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি মিলন বুঢ়াগোহাঁই, পৰিৱেশ সুৰক্ষা সমিতি, অসমৰ কেন্দ্ৰীয় সভাপতি ঋতুৰাজ বৰুৱা, জাৰ্নেলিষ্ট ইউনিয়ন অৱ আছামৰ ৰাজ্যিক উপ-সভাপতি ৰূপম কাকতি, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি অখিল চন্দ্ৰ বৰুৱা, সাধাৰণ সম্পাদক ৰাণাদ্বীপ দুৱৰা, সমগ্ৰ শিক্ষাৰ জিলা আঁচনি বিষয়া ত্ৰিদীপ শৰ্মা তামুলী প্ৰমুখ্যে তিনিচুকীয়াৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ বহুসংখ্যক সাংবাদিকে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। সাংবাদিকগৰাকীৰ বিয়োগৰ খবৰ পাই কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সামাজিক মাধ্যমত শোক প্ৰকাশ কৰে। নৱপ্ৰজন্মৰ জনপ্ৰিয় সাংবাদিকগৰাকীৰ বিয়োগত তিনিচুকীয়াত শোকৰ ছাঁ পৰিছে। জিলাখনৰ বিভিন্ন দল-সংগঠনেও সাংবাদিকগৰাকীৰ বিয়োগত শোক প্ৰকাশ কৰে। সংবাদ মাধ্যমৰ বিশাল উপত্যকাৰ পৰা চিৰদিনৰ বাবে মেলানি মগা সাংবাদিক গৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া আজি শোকাকুল পৰিৱেশত বৰগুৰি শ্মশানত সম্পন্ন কৰা হয়। ডাঙৰ-সৰু সকলোৰে লগত মিলিব পৰা, হাঁহিমুখীয়া, নীৰৱ, প্ৰচাৰবিমুখ সাংবাদিক ভাগ্য কলিতাৰ অকাল মৃত্যু এক বৃহৎ ক্ষতি হৈ ৰ'ব।

# ক্লাব মিলিজুলি বাথানৰ আঞ্চলিক ৰঙালী বিহু আয়োজন

**ই-সংবাদ, বাইহাটা চাৰিআলি, ৬ মে':** বিগত বছৰবোৰৰ দৰে এইবেলিও কামৰূপ জিলাৰ কমলপুৰ সমষ্টিৰ দুমুনিচকী সমীপৰ মেকাৰাম প্ৰাথমিক বিদ্যালয় খেলপথাৰ প্ৰাংগণত অহা ২৬ ব'হাগ (১০ মে') শনিবাৰে অনুষ্ঠিত কৰা হ'ব ৪৫ সংখ্যক বাৰ্ষিক ৰঙালী বিহু। ক্লাব মিলিজুলি বাথানৰ সভাপতি যুগল মেধি আৰু সম্পাদক জাহিদুল ৰহমানে অৱগত কৰা মতে, পুৱা স্বচ্ছ অভিযান, ক্লাবৰ পতাকা উত্তোলন, বিহুৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ পিছত চিত্ৰাংকন, কুইজ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হ'ব। আবেলি 'এজাক জোনাকীৰ জিলমিল' শীৰ্ষক অনুষ্ঠানৰ পিছতে সন্ধিয়া বন্তি প্ৰজ্বলন, বঁটা বিতৰণ, সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। নিশা সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব স্থানীয় বিধায়ক দিগন্ত কলিতাই। সাংস্কৃতিক অনুষ্ঠানত নটৰাজ সাংস্কৃতিক নৃত্যগোষ্ঠীৰ বাৰেৰহনীয়া কৃষ্টি প্ৰদৰ্শন আৰু আমন্ত্ৰিত কণ্ঠশিল্পী তুলিকা কলিতা আৰু চুমন ৰাজে গীত পৰিৱেশন কৰিব। সকলো কাৰ্যসূচীতে ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে উদযাপন সমিতিয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কোকৰাঝাৰ ৰে'ল ষ্টেচনত ৰ'ব আৰু

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ আলিপুৰদুৱাৰ ডিভিজনৰ ৰে'লৱে সাংমণ্ডলিক প্ৰবন্ধকৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বিধায়ক লৰেন্স ইছলাৰীয়ে উক্ত বৈঠকত ১৫৯১০ নং অবধ অসম এক্সপ্ৰেছ (উজনিমুৱা) আৰু ১৫৯০৯ নং অবধ অসম এক্সপ্ৰেছ (নামনিমুৱা), ১২৩৪৬ শৰাইঘাট এক্সপ্ৰেছ (উজনিমুৱা), ১২৩৪৫ শৰাইঘাট এক্সপ্ৰেছ (নামনিমুৱা), ১৩২৪৮ কেপিটেল এক্সপ্ৰেছ (উজনিমুৱা), ১৩২৪৭ কেপিটেল এক্সপ্ৰেছ (নামনিমুৱা) আৰু ১৫৬২৫২ লোহিত এক্সপ্ৰেছ (উজনিমুৱা), ১৫৬২৫২ লোহিত এক্সপ্ৰেছ (নামনিমুৱা) ৰে'লসমূহ কোকৰাঝাৰ ৰে'ল ষ্টেচনত ষ্ট'পেজ দিয়াৰ দাবী উত্থাপন কৰিছে। ইয়াৰ উপৰি বিধায়কগৰাকীয়ে কোকৰাঝাৰ ৰে'ল ষ্টেচনৰ পশ্চিম দিশত থকা লেভেং ক্ৰছিংটোৰ বিষয়ে দৃষ্টি আকৰ্ষণ কৰি কয় যে উক্ত লেভেল ক্ৰছিংটো বিপজ্জনকভাৱে দৈনিক ছাত্ৰ-ছাত্ৰী, বিশেষকৈ শিশু আৰু বৃদ্ধসকলে পাৰ হ'বলৈ ব্যৱহাৰ কৰি আহিছে। কোকৰাঝাৰ অসামৰিক চিকিৎসালয়লৈও এইটো আটাইতকৈ চমু বাট আৰু যাৰ ফলত উক্ত পথটো অপৰিহাৰ্য হিচাপে বিবেচিত হৈ আহিছে। উক্ত লেভেল ক্ৰছিংত ফুটঅভাৰ ব্ৰীজ নিৰ্মাণ কৰিবলৈ আহ্বান জনাইছে বিধায়ক লৰেন্স ইছলাৰীয়ে। আনহাতে কোকৰাঝাৰ হনুমান মন্দিৰৰ ওচৰত থকা ৰে'লৱেৰ এটা হিউম পাইপ সৰু হোৱাৰ বাবে ৰে'ল লাইনৰ উত্তৰ দিশত থকা শান্তিনগৰ, ৰূপাথী নগৰ, সুভাষপল্লী, বিধানপল্লী আদি অঞ্চলসমূহ প্ৰতিটো বাৰিষাকালত জলমগ্ন হোৱাৰ বিষয়টো উত্থাপন কৰি বিধায়ক ইছলাৰীয়ে উক্ত স্থানত বৃহৎ কালভাৰ্ট নিৰ্মাণৰ আহ্বান জনায়। বিধায়ক লৰেন্স ইছলাৰীৰ যুক্তিত পতিয়ন গৈ আলিপুৰদুৱাৰ ডিভিজনৰ ৰে'লৱে সাংমণ্ডলিক প্ৰবন্ধকগৰাকীয়ে বিষয়টো গুৰুত্বসহকাৰে লয় আৰু কাইলৈ উক্ত স্থানলৈ অভিযন্তাৰ এটি দল জৰীপৰ কাৰণে পঠোৱা হ'ব বুলি উল্লেখ কৰে। প্ৰণিধানযোগ্য যে কোকৰাঝাৰ হনুমান মন্দিৰৰ ওচৰত থকা ৰে'ল লাইনত ডাঙৰ কালভাৰ্ট এটি নিৰ্মাণ হলে কোকৰাঝাৰ চহৰৰ কৃত্ৰিম বান সমস্যা বহুলাংশে লাঘৱ হ'ব বুলি অনুমান কৰা হৈছে। ইপিনে বিধায়ক লৰেন্স ইছলাৰীয়ে আজিৰ আলোচনা সৌহাৰ্দ্যপূৰ্ণ আছিল আৰু সমস্যাসমূহ শীঘ্ৰে সমাধান হ'ব বুলি আশা প্ৰকাশ কৰিছে।

# ওদালগুৰি সন্মিলিত যুৱ সমাজৰ মুকলি বিহু সম্পন্ন

**ই-সংবাদ, ওদালগুৰি, ৬ মে':** ওদালগুৰি সন্মিলিত যুৱ সমাজৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা চতুৰ্থ বাৰ্ষিক সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ ২০২৫ৰ ত মে'ত সামৰণি পৰে। সন্ধিয়া ৭ বজাত বিহুতলী উদ্বোধন কৰে ওদালগুৰি জিলাৰ জিলা আয়ুক্ত পুলক পাটগিৰিয়ে। উদ্বোধনী ভাষণত জিলা আয়ুক্ত পাটগিৰিয়ে এক মুকলি পৰিৱেশত অনুষ্ঠিত এই বিহুখনক লৈ প্ৰশংসা কৰে। তেওঁ লগতে কয়, "ওদালগুৰিৰ দৰে সকলো জাতি-জনগোষ্ঠীৰ বসবাসস্থলীত অনুষ্ঠিত বিহুখনে প্ৰকৃত অৰ্থ দাঙি ধৰিছে। এক সুন্দৰ মুকলি পৰিৱেশত অনুষ্ঠিত বিহুখনে জাতি-জনগোষ্ঠীসমূহৰ মাজৰ সমন্বয়ৰ এনাজৰীডাল অধিক সুদৃঢ় কৰাত সহায়ক হ'ব।" লগতে তেওঁ আগন্তুক দিনবোৰতো বিহুখনৰ বিকাশ কামনা কৰে। ইফালে, অনুষ্ঠানটোত উপস্থিত থাকি বিটিচিৰ কাৰ্যবাহী সদস্য নিলোৎ স্বৰ্গীয়াৰীয়েও সুন্দৰভাৱে বিহুখন অনুষ্ঠিত কৰা উদযাপন সমিতিক প্ৰশংসা কৰে। উল্লেখ্য যে এইবেলি অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ ২০২৫ত উজনি-নামনিৰ ১৪ টাকৈ বিহু দলৰ লগতে তিনিটা বিভিন্ন জনগোষ্ঠীৰ দল তথা দুটা আকৰ্ষণীয় দল ক্ৰমে পৌৰাণিক পেঁপাবাদনৰ চমকেৰে যোৰহাটৰ বৰ্হমথুৰী বিহুদল আৰু তেজপুৰ থেছপিয়ানে নিজৰ অনুষ্ঠান পৰিৱেশন কৰি কেবা সহস্ৰাধিক দৰ্শকক মুগ্ধ কৰে। বিহু প্ৰতিযোগিতাৰ ফলাফলৰ অন্তত মুকলি বিহুৰ প্ৰথম পুৰস্কাৰ নগদ ৫০ হাজাৰ টকা লাভ কৰে বিশ্বনাথ আঞ্চলিক বিহু দলে, দ্বিতীয় পুৰস্কাৰ নগদ ৩০ হাজাৰ টকা লাভ কৰে ৰামদিয়াৰ জোনবাই বিহু দলে আৰু তৃতীয় পুৰস্কাৰ নগদ ২০ হাজাৰ টকা লাভ কৰে কলিয়াবৰৰ ফ্ৰেণ্ডশ্বিপ ক্লাব বিহুদলে। ইফালে, প্ৰথম শ্ৰেষ্ঠ বিহুৱতীৰ সন্মান আঁজুৰি আনে ব্ৰহ্মপুত্ৰ বিহুদলে, দ্বিতীয় শ্ৰেষ্ঠ বিহুৱতীৰ সন্মান আঁজুৰি আনে কলিয়াবৰৰ ফ্ৰেণ্ডশ্বিপ ক্লাব বিহুদলে, শ্ৰেষ্ঠ ঢুলীয়াৰ সন্মান লাভ কৰে ঢেকীয়াজুলিৰ ৰূপজ্যোতি আঞ্চলিক বিহুদলে, শ্ৰেষ্ঠ পেঁপাবাদকৰ সন্মান আঁজুৰি আনে গহপুৰৰ প্ৰাগজ্যোতিষ বিহুদলে, শ্ৰেষ্ঠ বিহুৱাৰ সন্মান আঁজুৰি আনে গুৱাহাটীৰ মঘাই বিহুদলে আৰু শ্ৰেষ্ঠ গগনাবাদকৰ সন্মান আঁজুৰি আনে ৰৌতাৰ অসমী বিহুদলে। অনুষ্ঠানটোত উপস্থিত থাকে জিলা আয়ুক্ত পুলক পাটগিৰি, কাৰ্যবাহী সদস্য নিলোৎ স্বৰ্গীয়াৰী, ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ডেভিদচন দৈমাৰী, আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য দ্বিপজ্যোতি নাথ, যুৱ ছাত্ৰ পৰিষদৰ জিলা সাধাৰণ সম্পাদক পংকজ চহৰীয়া, সমাজকৰ্মী অশোক বাজাজ, মিনন মোছাহাৰী, সুনীল বসুমতাৰীৰ লগতে আন বহু বিশিষ্ট ব্যক্তি।

# ভাৰেগাঁৱত ৰঙালী বিহুৰ কাৰ্যসূচীৰ সামৰণি

**ই-সংবাদ, ভৱানীপুৰ, ৬ মে':** ভাৰেগাঁৱৰ পানচৈ বিহুৱা দলৰ উদ্যোগত অনুষ্ঠিত ৩৭ সংখ্যক ৰঙালী বিহুৰ কাৰ্যসূচীত পৰহি কালি নিশা এপৰলৈকে ঢোল-পেঁপাৰ মাতত মুখৰ হৈ থাকিল গাঁওখনৰ বিহুতলী। উল্লেখ্য যে, পৰহি পুৱা ৭ বজাত চাফাই অভিযানেৰে ৰঙালী বিহুৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ পিছতে পুৱা ৯ বজাত ভাৰেগাঁও ৰঙালী বিহু উদযাপন সমিতিৰ সভাপতি অনুপ কলিতাই বিহু পতাকা উত্তোলন কৰে। ইয়াৰ পিছতেই অনুষ্ঠিত হয় ক্ৰমে গছপুলি ৰোপণ আৰু খেল-ধেমালি প্ৰতিযোগিতা আৰু তাৰ পিছতেই অনুষ্ঠিত হয় চিত্ৰাংকন প্ৰতিযোগিতা। বিয়লি ৪ বজাত অনুষ্ঠিত প্ৰাইজমানি একক বিহু নাচ প্ৰতিযোগিতা উদ্বোধন কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বজালী জিলা সমিতিৰ সম্পাদক দিগ্বিজয় ডেকাই। আনহাতে, সন্ধিয়া ৬য়৪৫ বজাত বন্তি প্ৰজ্বলন কাৰ্যসূচী স্থানীয় আৰ্যভট্ট একাডেমীৰ ৰেক্টৰ কিশোৰ চৌধুৰীয়ে মুকলি কৰে। নিশা ৮ বজাত প্ৰাইজমানি মুকলি বিহু প্ৰতিযোগিতা উদ্বোধন কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নৱনিৰ্বাচিত সম্পাদক বিজনী বায়নে। নৱ নিৰ্বাচিত সম্পাদকগৰাকীয়ে উপস্থিত ৰাইজলৈ ৰঙালী বিহুৰ ওলগ আৰু শুভেচ্ছা জনাই প্ৰদান কৰা ভাষণত এইবেলিৰ ব'হাগ আশাৰ ব'হাগ, প্ৰেৰণাৰ ব'হাগ আৰু জাতিটোৰ একতাৰ প্ৰতীক হোৱাৰ কামনা কৰে। সম্পাদকগৰাকীয়ে জাতিটোৰ বিভিন্ন সমস্যাৰাজি সমাধানত ৰাইজৰ সহায়-সহযোগ আন্তৰিকতাৰে কামনা কৰে। ভাৰেগাঁৱৰ বিহুতলীৰ পৰা আৰম্ভ হোৱা সাংস্কৃতিক সমন্বয়ৰ এই বাৰ্তা ভাৰেগাঁও আৰু সৰুপেটাৰ সীমাৰ পৰিধি পাৰ হৈ ৰাজ্যখনৰ দশোদিশে বিয়পি যোৱাৰো তেওঁ কামনা কৰে। আনহাতে, অনুষ্ঠিত প্ৰাইজমানি একক বিহু নাচ প্ৰতিযোগিতাত দুৱৰী চৌধুৰীয়ে প্ৰথম আৰু দৃষ্টি চৌধুৰীয়ে দ্বিতীয় পুৰস্কাৰ লাভ কৰে। বিচাৰকৰ বিশেষ বঁটা লাভ কৰে ধৃতিস্মিতা মেধিয়ে। প্ৰাইজমানি মুকলি বিহু নাচ প্ৰতিযোগিতাত বৰ্ণিল বিহুৱা দলে প্ৰথম, এনাজৰী বিহুৱা দলে দ্বিতীয় আৰু বঙাইগাঁও সাংস্কৃতিক গোষ্ঠীয়ে তৃতীয় পুৰস্কাৰ লাভ কৰে। অনুষ্ঠানত বিভিন্ন খেল-ধেমালি আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰসমূহ প্ৰদান কৰা হয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## বাঘমাৰাত বৃহৎ বাইক ৰেলীৰে এআইইউডিএফৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, শিমলীতোলা, ৬ মে':** দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ বাবে বিভিন্ন অঞ্চলৰ লগতে ২৩ নং চেঙা সমষ্টিৰ ৮৫ নং বাঘামাৰা চৰ গাঁও পঞ্চায়তৰ এআইইউডিএফৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী আব্দুৰ ৰহমানে কালি ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰাৰ্থীজনৰ সমৰ্থনত ৰাইজ হিল দল ভাঙি ওলাই আহি তলা-চাবিৰ ছবিত ভোট বিচাৰি এক বিশাল বাইক ৰেলীৰে শোভাযাত্ৰা কৰা পৰিলক্ষিত হয়। আব্দুৰ ৰহমানৰ এই নিৰ্বাচনী শোভাযাত্ৰাত এক হাজাৰৰো অধিক বাইক, তিনিশৰো অধিক ই-ৰিক্সাৰে সাত-আঠ হাজাৰৰো অধিক লোকে অংশ গ্ৰহণ কৰে। নিৰ্বাচনত জয়ী হ'লে বাঘমাৰা গাঁও পঞ্চায়তৰ সৰ্বাংগীন বিকাশৰ ক্ষেত্ৰত সদায় কাম কৰি যাব বুলি প্ৰাৰ্থীগৰাকীয়ে প্ৰকাশ কৰে। ৰাইজৰ বিপুল সঁহাৰি দেখি আব্দুৰ ৰহমানৰ জয় নিশ্চিত বুলি সমৰ্থকসকলে দাবী কৰে।



ডুমডুমাত সৰ্বানন্দ সোণোৱাল, ফটো মঙল বাৰৰ

## অসমীয়া ভাষা-সাহিত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠাৰ বাবে পদক্ষেপ

# ৩২খন ৰাষ্ট্ৰৰ প্ৰবাসী অসমীয়াৰ সৈতে ভাষা সাহিত্যৰ বক্তৃতানুষ্ঠান

**ই-সংবাদ, ডিব্ৰুগড় ৬ মে':** অসম সাহিত্য সভাৰ আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় মৈত্ৰীবন্ধন উপ-সমিতি, আন্তঃৰাষ্ট্ৰীয় সংগঠন স্নেহবন্ধন, ডিব্ৰুগড় সাহিত্য সভা আৰু ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ শাখা সাহিত্য সভাৰ যৌথ উদ্যোগত অনলাইন মাধ্যমেৰে 'বিদেশত অসমীয়া ভাষা-সাহিত্যৰ-চৰ্চাৰ প্ৰয়োজনীয়তা' শীৰ্ষক আন্তঃৰাষ্ট্ৰীয়-বক্তৃতানুষ্ঠান ৩ মে'ত অনুষ্ঠিত হয়। আয়াৰলেণ্ডৰ দিগন্ত মালাকাৰে মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি কয় যে সাহিত্য চৰ্চা হৈছে 'আত্মসন্মান, সাংস্কৃতিকস্থিতি আৰু বিদেশত থাকিও নিজৰ ভাষাক জীয়াই ৰাখিবলৈ কৰা এক আন্দোলন। ভাষা জীয়াই থাকিলেহে সংস্কৃতি জীয়াই থাকিব। ভাষা অবিহনে সংস্কৃতি কেতিয়াও জীয়াই থাকিব নোৱাৰে। বিদেশত থাকি যদি আমি অসমীয়া সাহিত্য, কবিতা, নাটক গল্প বা ভাষাগত আলোচনাক উৎসাহ নিদিওঁ, তেন্তে এই সমৃদ্ধ ভাষা হেৰাই যোৱাৰ সম্ভাৱনাই অধিক বুলি মন্তব্য কৰে। চাৰি মহাদেশৰ ক্ৰমে যুক্তৰাজ্যৰ প্ৰৱাসী অসমীয়া, স্নেহবন্ধনৰ সভানেত্ৰী, গ্ৰেট বৃটেনৰ মঞ্জীৰা চৌধুৰী, জাৰ্মানীৰ প্ৰৱাসী অসমীয়া শ্ৰীমন্ত ভূঞা, আন্তঃৰাষ্ট্ৰীয় সংগঠন মৈত্ৰীবন্ধনৰ সভাপতি থানেশ্বৰ মালাকাৰ, দক্ষিণ আফ্ৰিকাৰ প্ৰৱাসী অসমীয়া বিশিষ্ট বিজ্ঞানী ড০ মুকুট গোহাঁই, ছুইজাৰলেণ্ডৰ প্ৰৱাসী অসমীয়া, বিশিষ্ট লেখক, চিকিৎসক ডাঃ ডেইজী লেখাৰু, নেডাৰলেণ্ডৰ প্ৰৱাসী অসমীয়া সৌৰভ বৈদ্য, ডেনমাৰ্কৰ প্ৰৱাসী অসমীয়া অভিজিত মজুমদাৰ, কানাডাৰ প্ৰৱাসী অসমীয়া দেৱাঞ্জন বৰঠাকুৰ, ৰাছিয়াৰ প্ৰৱাসী অসমীয়া মিতালী গোস্বামী, স্কটলেণ্ডৰ প্ৰৱাসী অসমীয়া নীৰলা বৰুৱা, গ্ৰেট ব্ৰিটেইনৰ প্ৰৱাসী অসমীয়া লাহৰী বৰঠাকুৰ, ফিনলেণ্ডৰ প্ৰৱাসী অসমীয়া সুৰজ প্ৰতিম বৰাৰ লগতে বিভিন্ন প্ৰান্তৰ বহুকেইগৰাকী প্ৰৱাসী অসমীয়া এই অনুষ্ঠানত উপস্থিত থাকে। বক্তৃতানুষ্ঠানত মালাকাৰে কয় কয় যে সাহিত্যৰ জৰিয়তে নিজৰ মূলৰ স্মৃতি ৰক্ষা কৰিব লাগিব। নিজৰ ভাষাক বিদেশত প্ৰতিনিধিত্ব কৰিব লাগিব আৰু ব্লগ, ব্ৰডকাষ্টৰ জৰিয়তে সাহিত্যক বিশ্বমঞ্চত প্ৰতিষ্ঠা কৰিব লাগিব। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে আঁত ধৰা বক্তৃতানুষ্ঠানটোত উদ্দেশ্য ব্যাখ্যা কৰে অসম সাহিত্য সভাৰ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডি এইচ এচ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া। 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে শুভাৰম্ভ হোৱা বক্তৃতানুষ্ঠানটো উদ্বোধন কৰে অসম সাহিত্য সভাৰ সভাপতি ডাঃ বসন্ত কুমাৰ গোস্বামীয়ে। বক্তৃতানুষ্ঠানত অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা, প্ৰধান সম্পাদক দেৱজিৎ বৰা, বিশিষ্ট লেখক, চিন্তাবিদ ময়ূৰ বৰাৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দ্বিশতাধিক সাহিত্যনুৰাগীয়ে অংশগ্ৰহণ কৰে।

# বৰপেটাত ১০১৫৭৬৯ গৰাকী ভোটাৰে নিৰ্ণয় কৰিব ৩৫৯৩ প্ৰাৰ্থীৰ ভাগ্য

## বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী ৫১ প্ৰাৰ্থী, ভোট সাজু ১৪৫৫ বিষয়া

**ই-সংবাদ, কলগাছিয়া, ৬ মে':** অসমত প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচন সমাপ্ত হোৱাৰ পিছত বুধবাৰে পুনৰ পৰা ৰাজ্যত অনুষ্ঠিত হ'ব পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোট গ্ৰহণ। সেয়ে বৰপেটা জিলাৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহ সাজু কৰি ৰখাৰ লগতে সম্পূৰ্ণৰূপে সাজু হৈছে বিষয়াসকল। এইবেলি পঞ্চায়ত নিৰ্বাচনত বৰপেটা জিলাখনত ১০১৫৭৬৯ গৰাকী ভোটাৰে নিৰ্ণয় কৰিব ৩৫৯৩ গৰাকী প্ৰাৰ্থীৰ ভাগ্য আৰু তাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ আছে ১৪৫৫ গৰাকী বিষয়া। প্ৰাপ্ত তথ্য মতে, বৰপেটা জিলাত ১০১৫৭৬৯ গৰাকী ভোটাৰ আছে। ইয়াৰে ৫২৪২৫৮ গৰাকী পুৰুষ, ৪৯১৪৮২ গৰাকী মহিলা আৰু ২৯ গৰাকী অন্যান্য ভোটাৰ। জিলাখনত ইতিমধ্যে ১২৮৮ টা ভোটিং চেণ্টাৰ সাজু কৰা হৈছে। এই কেন্দ্ৰসমূহত ভোট গ্ৰহণৰ বাবে ২৪ গৰাকী জ'নেল বিষয়া, ১৪৩ গৰাকী ছেক্টৰ অফিচাৰ আৰু প্ৰথম, দ্বিতীয়, তৃতীয় পোলিং অফিচাৰ আৰু পিজাইডিং অফিচাৰসহ ১২৮৮ গৰাকী বিষয়া সাজু হৈ আছে। উল্লেখ্য যে, বৰপেটা জিলাত ১৯ টা জিলা পৰিষদ সমষ্টিত ৬৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে যদিও ৫১ জন প্ৰাৰ্থী ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হৈছে। লগতে জিলাখনত ১০২ টা আঞ্চলিক সদস্য পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে ২৮৭ গৰাকীয়ে আৰু তাৰ ভিতৰত ৭ গৰাকীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। সেই হিচাপত ১,০২০ খন গাঁও পঞ্চায়তৰ সদস্য পদত ৩,২৪১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে আৰু ইয়াৰ ভিতৰত ৪৩ গৰাকীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হৈছে। জিলাখনৰ মন্দিয়া, পাকাবেতবাৰী, সৰভোগ-ভৱানীপুৰ, চেঙা আদি সমষ্টিৰ অন্তৰ্গত আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰত পুৱা ৭ বজাৰ পৰা অনুষ্ঠিত হ'ব ভোটদান প্ৰক্ৰিয়া। এই ভোটদানৰ জৰিয়তে জিলাখনৰ ১০১৫৭৬৯ গৰাকী ভোটাৰে নিৰ্ণয় কৰিব ৩৫৯৩ প্ৰাৰ্থীৰ ভাগ্য। পিছে কোনে মাৰিব শেষ হাঁহি সেয়া অহা ১১ মে'ত ভোট গণনাৰ দিনাহে জানিব পৰা যাব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# মিৰ্জাত ব্যক্তিগতখণ্ডৰ মাল্টিস্পেচিয়েলিটী হাস্পতালৰ শুভ উদ্বোধন

**ই-সংবাদ, মিৰ্জা, ৬ মে':** দক্ষিণ কামৰূপৰ মিৰ্জাৰ টেক্ চিটী বঙৰাত আজি অত্যাধুনিক প্ৰযুক্তি, কাৰিকৰী কৌশলৰে সমৃদ্ধ মাল্টিস্পেচিয়েলিটী হাস্পতালৰ শুভ উদ্বোধন কৰা হয়। উক্ত উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, বিশিষ্ট সমাজকৰ্মী ৰাজেন্দ্ৰ নাথ, নৃপেন ঠাকুৰীয়া, কুশল মালাকৰ, শিক্ষাবিদ শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া, বিশিষ্ট ব্যৱসায়ী নাৰায়ণ চৌধুৰী, পংকজ দাসৰ লগতে জ্যেষ্ঠ সাংবাদিক নেত্ৰজিৎ বৰা। উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ ৰাখে বিধায়ক হেমাংগ ঠাকুৰীয়াই। হাস্পতালখনৰ মুখ্যদ্বাৰ মুকলি কৰে বিধায়ক হেমাংগ ঠাকুৰীয়াই। উল্লেখ্য যে, হাস্পতালখন সকলো ধৰণৰ চিকিৎসাৰ সা-সুবিধাৰে সমৃদ্ধ এখন উন্নত মানৰ হাস্পতাল য'ত জৰুৰীকালীন সেৱাৰ লগতে এম্বুলেন্স জৰুৰী সেৱাও জড়িত হৈ থাকিব। আনহাতে, অসমৰ বাহিৰৰ চিকিৎসকেও এই হাস্পতালখনত চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে দৰিদ্ৰ সীমাৰেখাৰ তলৰ ৰোগীসকলৰ সুবিধাৰ্থে বিশেষ সেৱাৰ ব্যৱস্থা কৰা হৈছে বুলি হাস্পতাল কৰ্তৃপক্ষই জানিবলৈ দিয়ে। যিটো সময়ত ব্যক্তিগত খণ্ডৰ চিকিৎসালয় তথা লেবৰেটৰীবোৰে সৰ্বসাধাৰণ ৰাইজক লুটিপুটি খোৱাৰ অভিযোগ সৰ্বত্ৰে চৰ্চিত বিভিন্ন কেলেংকাৰী, ভুল চিকিৎসাৰ বাবে ৰোগীৰ প্ৰাণহানি হোৱা পৰিলক্ষিত হয়, সেই একেই সময়ত দক্ষিণ কামৰূপত স্থাপন হোৱা ব্যক্তিগতখণ্ডৰ মাল্টিস্পেচিয়েলিটী হাস্পতালখনে এই অঞ্চলৰ ৰাইজৰ লগতে দক্ষিণ কামৰূপবাসীক কিদৰে উপকৃত তথা সেৱা আগবঢ়াব সেয়া সময়তহে লক্ষণীয় হ'ব।



দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ অন্তিম দিনাও এনেদৰে দেখা গল মুখ্যমন্ত্ৰীক, ফটো মঙলবাৰৰ

## আঠ সহস্ৰাধিক প্ৰিজাইডিং আৰু পুলিং বিষয়াৰ নিয়োগ

# ভোটগ্ৰহণৰ বাবে নগাঁৱৰ ৭সমষ্টিত কটকটীয়া নিৰাপত্তা

**ই-সংবাদ, পুৰণিগুদাম, ৬ মে':** কাইলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব লগা নগাঁও জিলাৰ অন্তৰ্গত সাতটা বিধানসভা সমষ্টিত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে নিয়োজিত বিষয়া কৰ্মচাৰীসকল আজি নিজ নিজ ভোটকেন্দ্ৰলৈ ৰাওনা হৈছে। আজি পুৱা ৮ বজাৰ পৰা নগাঁও চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু নগাঁও চৰকাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদৰ লগতে ৰহা সমজিলাৰ ৰহা মহাবিদ্যালয়ৰ পৰা আৰু কলিয়াবৰ সমজিলা কলিয়াবৰ সমজিলাৰ আয়ুক্ত কাৰ্যালয়ৰ পৰা প্ৰশাসনে স্থাপন কৰা অস্থায়ী কাউণ্টাৰৰ পৰা প্ৰিজাইডিং, পুলিং বিষয়াসকলে নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰৰ সামগ্ৰীসমূহ সংগ্ৰহ কৰে। নগাঁও জিলাৰ ৭ টা বিধানসভা সমষ্টিৰ ২৭ টা জিলা পৰিষদৰ ৬ টা জিলা পৰিষদৰ সদস্য ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। জিলাখনত এইবাৰ পুৰুষ ভোটাৰ ৬৯,৮৮৭৪ গৰাকী, মহিলা ভোটাৰ ৬৯,৪০০ গৰাকী আৰু অন্যান্য ৮৭ গৰাকীয়ে পঞ্চায়ত নিৰ্বাচনত অংশগ্ৰহণ কৰিব। পঞ্চায়ত নিৰ্বাচনটো সুচাৰুভাৱে পৰিচালনা কৰিবলৈ নগাঁৱত ২৯ গৰাকী, কলিয়াবৰ সমজিলাত ৭ গৰাকী, ৰহা সমজিলাত ৭ গৰাকী জ'নেল বিষয়া আৰু ঠিক তেনেদৰে নগাঁৱত ১২০ গৰাকী, ৰহা সমজিলাত ২৩ গৰাকী আৰু কলিয়াবৰ সমজিলাত ২২ গৰাকী চেক্টৰ বিষয়া নিয়োগ কৰা হৈছে। জিলাখনত মুঠ ৭,৫৬৮ গৰাকী পুৰুষ প্ৰিজাইডিং, পুলিং বিষয়া আৰু মুঠ ১,৭৬০ গৰাকী মহিলা প্ৰিজাইডিং, পুলিং বিষয়া নিয়োগ কৰা হৈছে।জিলাখনৰ মুঠ ১,৮২১ ভোটকেন্দ্ৰৰ ১,৭৬৪ টা ভোটকেন্দ্ৰতহে ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। ইতিমধ্যে ৫৭ টা ভোটকেন্দ্ৰৰ প্ৰাৰ্থী বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। কালিলৈ পুৱা ৭.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ ভোটগ্ৰহণ হ'বলগা সমষ্টি কেইটাত ভোটগ্ৰহণৰ সময়ছোৱাত শান্তি-শৃংখলা অটুট ৰখাৰ বাবে নগাঁও আৰক্ষী প্ৰশাসনে বিশেষ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰাপত্তাজনিত যিকোনো পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে স্থানীয় থানাসমূহৰ ভাৰপ্ৰাপ্ত বিষয়াসকলক প্ৰতি মুহূৰ্ততে সতৰ্ক হৈ থকাৰ নিৰ্দেশ দিয়া হৈছে। নগাঁও জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া নৰেন্দ্ৰ কুমাৰ শ্বাহে সকলো ভোটাৰকে ৭ মে'ৰ দিনা নিৰ্দিষ্ট সময়ত নিজৰ নিজৰ ভোটকেন্দ্ৰলৈ গৈ বিবেক ভোট প্ৰদান কৰিবলৈ আহ্বান জনাইছে।

# গোলকগঞ্জত ভোট গ্ৰহণৰ বাবে কেন্দ্ৰলৈ ৰাওনা নিৰ্বাচনী বিষয়া কৰ্মচাৰীৰ

**ই-সংবাদ, গোলকগঞ্জ, ৬ মে':** ধুবুৰী জিলাৰ গোলকগঞ্জ সমজিলাত অস্থায়ীভাৱে স্থাপন কৰা ষ্ট্ৰং ৰুমৰ পৰা আজি নিৰ্বাচনী বিষয়াসকলে বেলট পেপাৰ বেলট বাকচ লৈ নিজ নিজ ভোটকেন্দ্ৰলৈ ৰাওনা হৈছে। গোলকগঞ্জ সমজিলাত গংগাধৰ, গোলকগঞ্জ, আগমনি হালাকুৰা আৰু ৰায়ডাক জিলা পৰিষদৰ ভোট অনুষ্ঠিত হ'ব। আগমনি গোলকগঞ্জ দুটা আঞ্চলিক পঞ্চায়তৰ ২১ খন গাঁও পঞ্চায়তৰ ২১ টা আঞ্চলিক পঞ্চায়তৰ সদস্যৰ বাবে কাইলৈ হ'ব ভোট গ্ৰহণ। সেই উদ্দেশ্যে দায়িত্বত থকা বিষয়া-কৰ্মচাৰীসকলে আজি চিলাৰায় মহাবিদ্যালয়ত স্থাপন কৰা ষ্ট্ৰং ৰুমৰ পৰা বেলট বাকচ বেলট পেপাৰ আদি প্ৰয়োজনীয় সা-সামগ্ৰী লৈ গন্তব্য স্থান লৈ ৰাওনা হয়। জানিব পৰা মতে, এইবাৰ ভোট কেন্দ্ৰৰ সংখ্যা ২৪১ টা ইয়াৰে ১০৮ আৰু ১১০ নম্বৰ ভোট কেন্দ্ৰ দুটাত ভোটদান নহ'ব। তদুপৰি সাতটা ভোট কেন্দ্ৰত কেৱল মহিলা বিষয়া উপস্থিত থাকিব। গোলকগঞ্জ সমজিলাত মুঠ ভোটাৰ ১৭৭৩২৪ জন। ইয়াৰে পুৰুষ ৯১৭৩৭ জন আৰু মহিলা ৮৫৫৮৬ গৰাকী। এগৰাকী তৃতীয় লিংগৰ ভোটাৰ থকা বুলিও জানিব পৰা গৈছে।

# অভয়াপুৰী সমজিলাৰ বিষয়াকৰ্মচাৰীসহ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা নিৰাপত্তাৰক্ষীৰ দল

**ই-সংবাদ, অভয়াপুৰী, ৬ মে':** দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে অভয়াপুৰী সমজিলাৰ অন্তৰ্গত চাৰিখন জিলা পৰিষদ ক্ৰমে ট্ৰাপাটাৰী, যোগীঘোপা, মাণিকপুৰ আৰু বইটামাৰী, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ ভোটগ্ৰহণৰ বাবে সমজিলা প্ৰশাসন সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। আজি অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পৰা বেলট পেপাৰ আৰু অন্য প্ৰয়োজনীয় সামগ্ৰী লৈ প্ৰিজাইডিং আৰু পলিং বিষয়াসহ ভোটগ্ৰহণকাৰী দলসমূহ নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হয়। সমজিলাখনৰ বাবে মুঠ ২৮৪ টা ভোট গ্ৰহণ কেন্দ্ৰৰ বাবে ২৮৪ গৰাকী প্ৰিজাইডিং বিষয়া, ২৮৪ গৰাকী প্ৰথম পলিং বিষয়া, ২৮৪ গৰাকী দ্বিতীয় পলিং বিষয়া আৰু ২৮৪ গৰাকী তৃতীয় পলিং বিষয়া নিয়োজিত কৰা হৈছে। আনহাতে, বাৰশতকৈ অধিক ভোটাৰ থকা ভোট কেন্দ্ৰৰবাবে ২৩ গৰাকী চতুৰ্থ পলিং বিষয়া নিয়োজিত কৰা হৈছে। সমজিলাখনৰ বাবে ২২ গৰাকীকৈ প্ৰিজাইডিং বিষয়া, প্ৰথম পলিং বিষয়া, দ্বিতীয় পলিং বিষয়া আৰু তৃতীয় পলিং বিষয়া বিষয়াক সংৰক্ষিত কৰি ৰখা হৈছে। সমজিলাৰখনৰ বাবে চাৰি গৰাকী জ'নেল বিষয়া আৰু ২৫ গৰাকী খণ্ড বিষয়া নিয়োজিত কৰা হৈছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# আনডিভাইডেড অল কনট্ৰেকছুৱেল ৱকাৰ্ছ ইউনিয়নৰ সংবাদমেলত হুংকাৰ

**ই-সংবাদ, গেলেকী, ৬ মে':** আনডিভাইডেড অল কনট্ৰেকছুৱেল ৱকাৰ্ছ ইউনিয়ন জি এন আৰ এল, অ' এন জি চি (এল)ৰ এক সজাগতামূলক সভা গেলেকী নাট্য মন্দিৰত অনুষ্ঠিত হৈ যায়। গেলেকী নাট্য মন্দিৰত অনুষ্ঠিত এই সজাগতামূলক সভাত সংবাদমেল সম্বোধন কৰে সংগঠনটোৱে। গেলেকী তৈলক্ষেত্ৰত যিকোনো ব্যক্তিগত প্ৰতিষ্ঠানত কাম কৰা কৰ্মচাৰীসকলৰ সুৰক্ষা আৰু দৈনিক মজুৰি সন্দৰ্ভত সংবাদমেলত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে সংগঠনটোৱে। তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ ব্যক্তিগত খণ্ডৰ ঠিকাদাৰে বছৰ বছৰ ধৰি শ্ৰমিকক প্ৰাপ্যৰ পৰা বঞ্চিত কৰাৰ অভিযোগ উত্থাপন কৰিছে। সংবাদমেলত সংগঠনটোৱে উল্লেখ কৰে যে অসমৰ প্ৰতিটো বেচৰকাৰী ঠিকাদাৰী প্ৰতিষ্ঠানে ভাৰত চৰকাৰ দৈনিক মজুৰি নীতি উলংঘা কৰি শ্ৰম আইনৰ মতে যি হাৰত দৈনিক মজুৰি প্ৰদান কৰিব লাগে তাৰ পৰা বঞ্চিত কৰি আহিছে শ্ৰমিকক। ভাৰত চৰকাৰৰ শ্ৰম মন্ত্ৰালয়ৰ নিৰ্দেশ মতে এজন শ্ৰমিকৰ বাবদ যিসমূহ সুবিধা প্ৰদান কৰিব লাগে যেনে ই এছ আই, ই পি এফ, সেয়া প্ৰদান কৰা নাই একাংশ ঠিকাদাৰী প্ৰতিষ্ঠানে। লগতে সংগঠনটোৱে উল্লেখ কৰে যে নতুনকৈ বৰ্তমানকেইবাটাও ঠিকাদাৰী প্ৰতিষ্ঠান গেলেকী তৈলক্ষেত্ৰত কাম কৰাৰ বাবে নিবিদা লাভ কৰিছে। সেই ঠিকাদাৰী প্ৰতিষ্ঠানকেইটাই সম্পূৰ্ণ চৰকাৰী নিয়ম-নীতিৰে শ্ৰমিকক মজুৰি প্ৰদান কৰিব লাগিব বুলি সংগঠনটোৱে উল্লেখ কৰি প্ৰতিজন শ্ৰমিকক প্ৰাপ্য সুবিধা দিব লাগিব বুলি কয়। অন্যথা গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে শ্ৰমিকক শোষণ কৰা প্ৰতিটো ঠিকাদাৰী প্ৰতিষ্ঠানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে ঊৰ্দ্ধতম কৰ্তৃপক্ষক লিখিত অভিযোগ দাখিল কৰিব বুলি সংগঠনটোৱে হুংকাৰ দিয়ে।

# নাজিৰাত জ'ভিয়েল ভেলি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত মত-বিনিময় অনুষ্ঠান

**ই-সংবাদ, গেলেকী, ৬ মে':** নাজিৰা চানবছা গাঁও নিৱাসী কৃষক বীৰেন কোঁৱৰ আৰু গৃহিণী অনিমা কোঁৱৰৰ কনিষ্ঠ পুত্ৰ বাস্তৱ জ্যোতি কোঁৱৰ। বাস্তৱ জ্যোতি কোঁৱৰে সদ্য ঘোষিত অসম লোকসেৱা আয়োগৰ অন্তৰ্গত শিশু উন্নয়ন প্ৰকল্প বিষয়া পদৰ বাবে অনুষ্ঠিত কৰা পৰীক্ষাত উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। আজি নাজিৰাস্থিত জ'ভিয়েল ভেলি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নাজিৰা মহাবিদ্যালয় গোটৰ যৌথ উদ্যোগত নাজিৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা ৯১০ নং লংকাক গোঁহাই গাঁও প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক বাস্তৱ জ্যোতি কোঁৱৰৰ সৈতে জ'ভিয়েল ভেলি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰেক্ষাগৃহত এক মত-বিনিময় অনুষ্ঠানৰ আয়োজন কৰে। জ'ভিয়েল ভেলি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত সংগীত পৰিৱেশন কৰাৰ পিছতেই অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নাজিৰা মহাবিদ্যালয় গোটৰ ভাৰপ্ৰাপ্ত সভাপতি অভিজিৎ ফুকনে আঁত ধৰা উক্ত অনুষ্ঠানত জ'ভিয়েল ভেলি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষা তথা সমাজকৰ্মী চিলিমি বড়া, উপাধ্যক্ষ আব্দুল আৰিফ, নাজিৰাৰ এৰিজন কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ পৰিচালক, সমাজকৰ্মী মিণ্টু বৰুৱা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা আঞ্চলিক সমিতিৰ উপদেষ্টা তথা শিৱসাগৰ জিলা সমিতিৰ সাংগঠনিক সম্পাদক ভাস্কৰজ্যোতি মহন্ত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। ইয়াৰ পিছতে বাস্তৱ জ্যোতি কোঁৱৰে উপস্থিত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক কলৰ লগত মত-বিনিময় কৰাৰ লগতে নিজৰ জীৱন যাত্ৰা, বিভিন্ন অভিজ্ঞতাসমূহ সকলোৰে আগত ব্যাখ্যা কৰে। বাস্তৱ জ্যোতি কোঁৱৰে সকলোকে উদ্দেশ্যি কয় যে, সকলো কামতে আমাৰ একাগ্ৰতা লাগিব, কামক ভাল পাবলৈ ল'ব লাগিব, চেষ্টা কৰি যাব লাগিব, তেতিয়াহে আমি সফল হ'ব পাৰিম। ইয়াৰ পিছতে বিদ্যালয়খনৰ অধ্যক্ষা চিলিমি বড়াই আজিৰ অনুষ্ঠানটি আয়োজন কৰাৰ বাবে সংগঠনটিৰ বিষয়ববীয়াসকল আৰু উপস্থিত অতিথিসকলক ধন্যবাদ জ্ঞাপন কৰে। শেষত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা মহাবিদ্যালয় গোটৰ সাধাৰণ সম্পাদক অভিজিৎ কোঁৱৰে কৃতজ্ঞতাৰে সামৰণি মৰা সভাত জ'ভিয়েল ভেলি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া, শিক্ষক-শিক্ষয়ত্ৰী, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নাজিৰা মহাবিদ্যালয় গোটৰ উপদেষ্টা বিকাশ হাজৰিকা, উপ-সভাপতি ৰঞ্জনা দত্ত, যুটীয়া সম্পাদক নাচিৰুদ্দিন আলী, কাৰ্যনিৰ্বাহ সদস্যা ৰুকচানা বেগম, সদস্য ৰাজ আলী আৰু আব্দুল ৰেকিব, নাজিৰা আঞ্চলিকৰ দেৱজিত দাস, ৰাজাক আলী, ইনামুদ্দিন আলী উপস্থিত থাকে। অনুষ্ঠানৰ মাজতে বিকাশ হাজৰিকা, অভিজিৎ কোঁৱৰ, অভিজিৎ ফুকনে স্বৰচিত কবিতা পাঠ আৰু জ'ভিয়েল ভেলিৰ ছাত্ৰই বক্তব্যৰে সকলোকে আপ্লুত কৰে। এজন প্ৰতিভাৱান যুৱকৰ সৈতে নৱপ্ৰজন্মৰ লগত মত বিনিময় কৰোৱাৰ পদক্ষেপ হাতত লোৱাৰ বাবে আয়োজকসকলক ধন্যবাদ জ্ঞাপন কৰে অভিভাৱকসকলে।

# মৰিগাঁৱত নাবালিকা ধৰ্ষণকাৰীক পক'চ আদালতৰ যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ড

**ই-সংবাদ, মৰিগাঁও, ৬ মে':** মৰিগাঁও জিলাৰ জাগীৰোড আৰক্ষী থানাৰ অন্তৰ্গত নখোলা মিকিৰকুছি গাঁৱৰ প্ৰমোদ মণ্ডল নামৰ এজন নাবালিকা ধৰ্ষণকাৰীক মৰিগাঁও পক'চ আদালতে আজি যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে। প্ৰাপ্ত তথ্য মতে, এই লোকজনৰ বিৰুদ্ধে পাঁচবছৰ পূৰ্বে এক জঘন্য ধৰ্ষণ কাণ্ড সংঘটিত কৰাৰ অভিযোগত জাগীৰোড আৰক্ষী থানাত ৪২৯/২০২০ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। এই ঘটনাটোৰ তদন্ত কৰি আৰক্ষীয়ে মৰিগাঁও পক'চ আদালতত অভিযোগনামা দাখিল কৰিছিল। নাবালিকা ধৰ্ষণৰ উক্ত গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক'চ আদালতে পক'চ গোচৰ নং- ৪৮/২০২১ ৰ অধীনত বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক'চ আদালতৰ বিশেষ ন্যায়াধীশ এন এ আহমেদৰ আদালতে পক'চ আইনৰ ৬ নং ধাৰাত দোষী সাব্যস্ত কৰি ধৰ্ষণ কাণ্ডৰ অপৰাধী প্ৰমোদ মণ্ডলক যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰি দহ হাজাৰ টকাৰ জৰিমনা বিহে।

## ঘগ্ৰাপাৰৰ পোনৰকাউনীয়াত ব্যতিক্ৰমী অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, নলবাৰী, ৬ মে':** ব্যতিক্ৰমী অনুষ্ঠান এটা প্ৰত্যক্ষ কৰিলে বৃহত্তৰ পোনৰ কাউনীয়াবাসীয়ে। গুৱাহাটীৰ জালুকবাৰীত অৱস্থিত চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ ৰোগ-নিদান বিভাগৰ অধ্যাপক তথা সমাজসেৱী ডাঃ নিতেন বৰ্মন আৰু অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ কৰ্মচাৰী জিতু বৰ্মনে আগভাগ লৈ দেখুৱালে পিতৃ-মাতৃৰ প্ৰতি স্নেহ-শ্ৰদ্ধাৰ অপূৰ্ব নিদৰ্শন। অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, শাস্ত্ৰজ্ঞ তথা সমাজসেৱী মহেশ্বৰ বৰ্মন আৰু নামতী অঞ্জু বৰ্মনৰ বৈবাহিক জীৱনৰ স্বৰ্ণ জয়ন্তী উপলক্ষে স্থানীয় ৰাইজেৰে মিলি উদযাপন কৰিলে ভিন্নৰঙী অনুষ্ঠান। ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত পোনৰকাউনীয়া গাঁৱত কালি সন্ধিয়া পৰিয়াল তথা শুভাকাংক্ষীৰ সহযোগত অনুষ্ঠিত এই অনুষ্ঠানত স্থানীয় ৰাইজে ভিৰ কৰা পৰিলক্ষিত হয়। যথেষ্ট সংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে গুণমুগ্ধ উপস্থিত হৈ আগন্তুক দিনবোৰ সুখময় আৰু মধুময় হোৱাৰ কামনাৰে তেওঁলোকক শুভেচ্ছা আৰু অভিনন্দন জনায়। এই পবিত্ৰ দিনটোতে অঞ্চলটোৰ নেতৃস্থানীয় লোকসকলে মহেশ্বৰ বৰ্মন-অঞ্জু বৰ্মন দম্পতীৰে শুভেচ্ছামূলক বাৰ্তালাপ কৰে। গধূলিৰ ভাগত কামৰূপৰ ডেক্‌পাৰৰ পাঠিকা গীতিকা দেৱী বৰুৱাই নাগাৰা নাম পৰিৱেশন কৰি উপস্থিত শ্ৰোতা-দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখে। অনুষ্ঠানত উপস্থিত থাকি লেখক সুভাষ বৰ্মনে কয় যে তৈত্তিৰিয় উপনিষদত থকা, ভাৰতীয় সংস্কৃতিৰ অন্যতম আধাৰ 'পিতৃ দেৱো ভৱ, মাতৃ দেৱো ভৱ, অতিথি দেৱো ভৱ, আচাৰ্য দেৱো ভৱ' বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। জীয়াই থাকোঁতেই মানুহক প্ৰাপ্য আদৰ-সন্মান-স্নেহ-শ্ৰদ্ধা যাঁচিব লাগে। এই উৎসৱ উদযাপনৰ ক্ষেত্ৰত সৰ্বপ্ৰকাৰে সহায় কৰা বাবে স্থানীয় ৰাইজক পৰিয়ালটোৰ হৈ ডাঃ নিতেন বৰ্মন আৰু জিতু বৰ্মনে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছে।



**হোজাই জিলাৰ যমুনামুখত অঞ্চলত কপিলী নৈত চলি আছে চেনেলাইজেচনৰ কাম, ফটো শ্বেয়াৰ কৰিলে মন্ত্ৰী পীযুষ হাজৰিকাই**

# ডিব্ৰুগড়ত বুদ্ধ জয়ন্তীৰ আয়োজন

**ই-সংবাদ, ডিব্ৰুগড়, ৬ মে':** বুদ্ধদেৱৰ জন্মগ্ৰহণ, বুদ্ধত্ব লাভ আৰু পৰিনিৰ্বাণ প্ৰাপ্তিৰ ত্ৰিস্মৃতি বিজড়িত বুদ্ধ পূৰ্ণিমা সমগ্ৰ বিশ্ব বৌদ্ধ জগতত পবিত্ৰ আৰু পূণ্য তিথি হিচাপে পালিত হৈ আহিছে। বিগত বৰ্ষসমূহৰ দৰে এইবাৰো ডিব্ৰুগড় গ্ৰাহাম বজাৰস্থিত ডিব্ৰুগড় জিলা বুদ্ধ বিহাৰত ১২ মে'ত বিস্তৃত কাৰ্যসূচীৰে ২,৫৬৯ সংখ্যক বুদ্ধ জয়ন্তীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে বিশ্ব বৌদ্ধ পতাকা উত্তোলন, ধৰ্মীয় শোভাযাত্ৰা, বুদ্ধ পূজা, সংঘদান, শীল প্ৰদান, অসম চিকিৎসা মহাবিদ্যালয়ৰ ৰোগীক ফলমূল বিতৰণ, ধৰ্মালোচনা সভা, ধ্যান, বিশ্ব শান্তি প্ৰাৰ্থনা, শ্ৰমন দীক্ষা, বন্তি প্ৰজ্বলন আদি কাৰ্যসূচী হাতত লোৱা হৈছে। তদুপৰি মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন, ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী, সমাজ সেৱক তথা উদ্যোগপতি কুশল কোঁৱৰ, মেয়ৰ সৈকত পাত্ৰ, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, লেখক বৌউনথন গগৈ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইকে প্ৰমুখ্যে কৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। আনহাতে, বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগতে বিভিন্ন বিহু মঞ্চত উল্লেখযোগ্য প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা লোক সংস্কৃতিৰ সাধক জিতেন দাসৰ পৰিচালনাত ডিবৰু চেমনীয়া হুঁচৰি দলৰ দ্বাৰা বিহু পৰিৱেশন কৰা হ'ব বুলি জিলা বুদ্ধ বিহাৰ সমিতিৰ অধ্যক্ষই জানিবলৈ দি সকলোকে এই পবিত্ৰ ধৰ্মীয় কাৰ্যসূচীত উপস্থিত থাকিবলৈ অনুৰোধ জনাইছে।

# চতিয়াৰ মুৰ্তুজ আলীৰ দেহাৱসান

**ই-সংবাদ, চতিয়া, ৬ মে':** বিশ্বনাথ জিলাৰ চতিয়াৰ দক্ষিণ অঞ্চলৰ কটৰআটি গাঁৱৰ বিশিষ্ট সমাজকৰ্মী মুৰ্তুজ আলীয়ে দীৰ্ঘদিন ধৰি অসুখত ভুগি প্ৰায় ৯০ বছৰ বয়সত আজি পুৱা ৪ মান বজাত নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। মুৰ্তুজ আলীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে তেওঁৰ বাসভৱন লোকে লোকাৰণ্য হৈ পৰে। মুৰ্তুজ আলীৰ মৃত্যুৰ বাতৰিয়ে বৃহত্তৰ দক্ষিণ চতিয়া অঞ্চলত শোকৰ ছাঁ পেলাইছে। মুৰ্তুজ আলীৰ মৃত্যুত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ বিশ্বনাথ জিলা সমিতি, অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ বিশ্বনাথ জিলা সমিতি, অধিবক্তা ছইদুৰ ৰহমান, প্ৰাক্তন জিলা পৰিষদৰ সদস্য কাজিৰুল হক, ১ নং চতিয়া গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি মইনুল হক চৌধুৰীৰ লগতে যুৱ সমাজ সেৱক দিলীপ আলী আৰু জাহাংগীৰ হুছেইনে শোক প্ৰকাশ কৰে আৰু শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। লোকজনৰ মৃত্যু দক্ষিণ চতিয়া অঞ্চলৰ বাবে এক অপূৰণীয় ক্ষতি বুলি স্থানীয় লোকে মন্তব্য কৰিছে। সমাজকৰ্মীগৰাকীয়ে মৃত্যুৰ সময়ত ইহ সংসাৰত পত্নী, পুত্ৰ, নাতি-নাতিনী, জীয়ৰী আৰু অনেক গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়।

# অভয়াপুৰীত এশ কোটি টকা ব্যয় সাপেক্ষ চিকিৎসালয় নিৰ্মাণত অনিয়ম

ই-সংবাদ, অভয়াপুৰী, ৬ মে': ই-সংবাদ, অভয়াপুৰী, ৬ মে': বঙাইগাঁও জিলাৰ অভয়াপুৰীত নিৰ্মাণ হ'বলগীয়া দুশখন বিছনাযুক্ত চিকিৎসালয় নিৰ্মাণ কৰোঁতে পুৰণি গৃহবোৰ ভাঙি নেপেলাবলৈ আহবান জনাইছে আন্তঃৰাষ্ট্ৰীয় কোচৰাজবংশী সংস্থাই। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে সংগঠনটোৱে। সভাপতি ভদ্ৰেশ্বৰ বৰ্মন স্বাক্ষৰিত স্মাৰক পত্ৰত উল্লেখ কৰা মতে, বঙাইগাঁও জিলাৰ দুটাকৈ সমষ্টিৰ প্ৰাণকেন্দ্ৰ অভয়াপুৰীত কেইদশক মান পূৰ্বে স্থাপন হৈছিল ত্ৰিশখন বিছনাযুক্ত সমূহীয়া স্বাস্থ্যকেন্দ্ৰ। কিন্তু জনসংখ্যা বৃদ্ধিৰ অনুপাতে চিকিৎসক-নাৰ্ছ তথা আন্তঃগাঁথনিৰ অভাৱৰ বাবে সৰু সুৰা বেমাৰৰ কাৰণেও ৰাইজে জিলা সদৰ বঙাইগাঁওলৈ ঢাপলি মেলিবলগীয়া হৈ আহিছে। ইপিনে, বঙাইগাঁৱত মেডিকেল কলেজ স্থাপন কৰাৰ সিদ্ধান্ত লোৱাৰ পাছতে বঙাইগাঁৱৰ দুইশখন বিছনাযুক্ত চিকিৎসালয়খন অভয়াপুৰীত নিৰ্মাণ কৰাৰ বাবে ৰাইজে সিদ্ধান্ত গ্ৰহণ কৰে। সভাপতি বৰ্মনে উল্লেখ কৰা মতে, অভয়াপুৰী সমূহীয়া স্বাস্থ্য কেন্দ্ৰটোৰ বৰ্তমানৰ নিৰ্মাণ কাৰ্য ভাঙি নতুনকৈ নিৰ্মাণ কাৰ্য চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বৰ্মনে স্মাৰক পত্ৰত উল্লেখ কৰা মতে, ৩০ বিঘাতকৈ অধিক ভূমি থকাৰ বিপৰীতে ইয়াৰে কিছু অংশতহে চিকিৎসালয়খন চলি আহিছে। কিন্তু পুৰণি নিৰ্মাণ কাৰ্য ভাঙি নতুনকৈ নিৰ্মাণ কাৰ্য চলালে চিকিৎসা সেৱা নিৰন্তৰভাৱে চলাই অহাত স্থবিৰতা আহি পৰিব বুলিও বৰ্মনে স্মাৰক পত্ৰত উল্লেখ কৰে। এনে পৰিপ্ৰেক্ষিতত বৰ্মনে পুৰণি গৃহ নভঙাকৈ পৰিত্যক্ত ভূমিত নিৰ্মাণ কাৰ্য চলোৱাৰ বাবে আহবান জনাইছে।



## ভাৰতীয় সেনাৰ 'অপাৰেশ্যন সিন্দুৰ'ত তছনছ পাকিস্তানৰ ভিন্ন প্ৰান্ত

# অৱশেষত ভাৰতে দিলে প্ৰত্যুত্তৰ, নিশা পাক অধিকৃত কাশ্মীৰত আক্ৰমণ

**নতুন দিল্লী, ৬ মে':** সমগ্ৰ দেশত যুদ্ধৰ আখৰা হিচাপে মকড্ৰিলৰ প্ৰস্তুতি চলাই থকা সময়তে আজি মাজনিশা পেহেলগাম কাণ্ডৰ প্ৰতিশোধ ল'লে ভাৰতে। নিশা ১-৪৪ বজাত পাকিস্তানৰ ভূমিলৈ লক্ষ্য কৰি ভাৰতে কৰিলে মিছাইল আক্ৰমণ। পাকিস্তানৰ মুঠ ৯ টা স্থানত ভাৰতীয় সেনাই চলোৱা এই অভিযানৰ নাম দিয়া হৈছে 'অপাৰেচন সিন্দুৰ'। এই আক্ৰমণত একাধিক সন্ত্ৰাসবাদী নিহত হোৱাৰ অনুমান কৰা হৈছে। জানিব পৰা মতে এই ৯ টা স্থানেই আছিল সন্ত্ৰাসবাদীৰ আশ্ৰয়স্থলী। এই সন্দৰ্ভত ভাৰত চৰকাৰৰ ফালৰ পৰা জনোৱা অনুসৰি ভাৰতীয় সেনাই অপাৰেচন সিন্দুৰৰ জৰিয়তে পাক অধিকৃত কাশ্মীৰত আশ্ৰয় লৈ থকা সন্ত্ৰাসবাদীৰ ঘাটিক লক্ষ্য কৰি লৈ সুপৰিকল্পিত আক্ৰমণ কৰিছে। মুঠ ৯ টা স্থানক লক্ষ্য কৰি লৈছিল সেনাই। জানিব পৰা মতে এই ৯ টা স্থানত আছিল লস্কৰ-ই-তৈবা আৰু জইছ-ই-মহম্মদৰ মূল ঘাটি। ২২ এপ্ৰিলত পাকিস্তানী সন্ত্ৰাসবাদীয়ে ২৬ জনকৈ পৰ্যটকক আক্ৰমণ কৰাৰ ঘটনাৰ প্ৰত্যুত্তৰ হিচাপে এই আক্ৰমণ কৰিলে ভাৰতীয় সেনাই। ইফালে পাকিস্তানী সেনায়ো ভাৰতৰ এই আক্ৰমণ স্বীকাৰ কৰিছে। পাকিস্তানৰ ডি জি আই এছ পি আৰ লেফটেনেণ্ট জেনেৰেল আহমেদ শ্বৰীফ চৌধুৰীয়ে কয়, ভাৰতে কোটলি, মুৰিদকে, বাহাৱালপুৰ, চাক আমৰু, ভীম্বাৰ, গুলপুৰ, শিয়ালকোট আৰু মমুজ্জাফফৰবাদৰ দুটা স্থানত আক্ৰমণ কৰিছে। উল্লেখ্য যে, মুৰিদকে হৈছে হাফিজ ছাইদৰ দ্বাৰা পৰিচালিত সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ মুখ্য কাৰ্যালয় আৰু পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ বাহালৱাপুৰ হৈছে মাছুদ আজহাৰৰ দ্বাৰা পৰিচালিত সংগঠন জয়ছ-ই-মহম্মদৰ ঘাটি। পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফে এই আক্ৰমণৰ সন্দৰ্ভত কয় যে, "ভাৰতৰ এই যুদ্ধৰ কাৰ্যক প্ৰত্যুত্তৰ দিয়াৰ সক্ষমতা আছে। তাৰোপৰি তেওঁ ভাৰতৰ এই আক্ৰমণক কাপুৰুষালি আখ্যা দিছে। ভাৰতৰ এই আক্ৰমণৰ প্ৰতি সঁহাৰি জনাই পাকিস্তানে পুঞ্চ-ৰাজৌৰী অঞ্চলৰ ভীম্বাৰ গালিত নিয়ন্ত্ৰণ ৰেখাৰ কাষত আৰ্টিলাৰী গুলীচালনা কৰিছে বুলি ভাৰতীয় সেনাই প্ৰকাশ কৰিছে। তেওঁলোকে লগতে কয় যে সেনাই ইয়াৰো প্ৰত্যুত্তৰ দিছে। পাকিস্তান অধিকৃত কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটিত চলোৱা এই আক্ৰমণত ক্ৰুজ মিছাইল ব্যৱহাৰ কৰা হৈছিল। ফ্ৰান্স আৰু ব্ৰিটেইনৰ যৌথভাৱে নিৰ্মাণ কৰা এই ক্ষেপণাস্ত্ৰসমূহ ভাৰতীয় বায়ুসেনাৰ ৰাফেল যুদ্ধ বিমানেৰে সজ্জিত। নিশা এই বাতৰি যুগুতোৱা পৰ্যন্ত সবিশেষ তথ্য জানিব পৰা হোৱা নাই। ভাৰতীয় সেনাই দিনৰ ভাগত উক্ত আক্ৰমণ সন্দৰ্ভত অধিক তথ্য প্ৰকাশ কৰিব বুলি এক বিবৃতিত জানিবলৈ দিছে।

# মৰিগাঁও জিলাত বেলট বাকচসহ ভোটগ্ৰহণৰ সামগ্ৰী লৈ ভোটকেন্দ্ৰলৈ ৰাওনা

## ৩৭৩২ গৰাকী পুৰুষ আৰু ১৫৬ গৰাকী মহিলা ভোটগ্ৰহণকাৰী বিষয়া

**ই-সংবাদ, লাহৰীঘাট, ৬ মে':** সমাগত পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত অহা ৭ মে'ত ভোটগ্ৰহণ হ'বলগীয়া মৰিগাঁও জিলাত আজি মৰিগাঁৰৰ উপৰি দুয়োখন সমজিলাৰ পৰা ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীসকল বেলট বাকচসহ নিজ নিজ ভোটকেন্দ্ৰলৈ ৰাওনা হয়। সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াটোত জিলাখনত তিনিওটা সমষ্টি সামৰি মুঠ ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীৰ সংখ্যা ৩৮৮৮। ইয়াৰে ৩৭৩২ গৰাকী পুৰুষ আৰু ১৫৬ গৰাকী মহিলা। আনহাতে, ৪২০ গৰাকী বিষয়া-কৰ্মচাৰীক সংৰক্ষিত হিচাপে ৰখা হৈছে। মৰিগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত ২৬৯ টা ভোটগ্ৰহণ কেন্দ্ৰলৈ মৰিগাঁও মহাবিদ্যালয় খেলপথাৰৰ পৰা ভোটগ্ৰহণৰ বাবে ১০৩২ গৰাকী পুৰুষ আৰু ৪৪ গৰাকী মহিলা আজি ভোটগ্ৰহণৰ সামগ্ৰী লৈ ৰাওনা হয়। একেদৰে লাহৰীঘাট সমজিলাৰ ভোটগ্ৰহণৰ বাবে ৰজাগাধোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ পৰা ১৪০০ গৰাকী পুৰুষ আৰু ৫৬ গৰাকী মহিলা ভোটগ্ৰহণকাৰী বিষয়া বেলট বাকচসহ প্ৰয়োজনীয় সামগ্ৰী লৈ ৩৬৪ টা ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হয়। আনহাতে, জাগীৰোড সমজিলাৰ বাবে আজি জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ পৰা ১৩০০ গৰাকী পুৰুষ আৰু ৫৬ গৰাকী মহিলা ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰী নিজ নিজ কেন্দ্ৰলৈ ৰাওনা হয়। জাগীৰোড সমজিলাত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ৩৩৯ টা। তিনিওটা স্থানতে অতি নিয়াৰিকৈ আৰু শৃংখলিতভাৱে ভোটগ্ৰহণৰ সামগ্ৰী বিষয়া-কৰ্মচাৰীসকলক প্ৰদান কৰা হয়। এইবাৰ সমজিলাভিত্তিত সকলো ব্যৱস্থা কৰাৰ বাবে সামগ্ৰী বিতৰণ কৰোঁতে পূৰ্বতকৈ কম সময়ৰ প্ৰয়োজন হয়। উল্লেখ্য যে মৰিগাঁও জিলাত মুঠ ৯৭২ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। ইয়াৰে মহিলাৰ দ্বাৰা পৰিচালিত ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা মৰিগাঁও সমষ্টিত ১৫ টা, জাগীৰোডত ১৪ টা আৰু লাহৰীঘাট সমষ্টিত ১০ টা। জিলাখনত মুঠ ভোটাৰৰ সংখ্যা ৭,০০৪৩০ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰ ৩৫৪৭৮৫ গৰাকী, মহিলা ভোটাৰ ৩৪৫৬৩২ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ ১৩ গৰাকী। মৰিগাঁও সমষ্টিত মুঠ ভোটাৰ ১৭৮৯৯৭ গৰাকী। পুৰুষ ভোটাৰ ৮৯৬৬৭ গৰাকী, মহিলা ভোটাৰ ৮৯৩২৭ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ ৩ গৰাকী। জাগীৰোড সমষ্টিত মুঠ ভোটাৰ ২৩৯৫২৩ গৰাকী। পুৰুষ ভোটাৰ ১২০০২২ গৰাকী, মহিলা ভোটাৰ ১১৯৪৯৯ আৰু তৃতীয় লিংগৰ ভোটাৰ দুগৰাকী। লাহৰীঘাট সমষ্টিত মুঠ ভোটাৰ ২৮১৯১০ গৰাকী। পুৰুষ ভোটাৰ ১৪৫১০২ গৰাকী, মহিলা ভোটাৰ ১৩৬৮০০। জিলাখনত মুঠ ১২ টা জিলা পৰিষদ সমষ্টি, ৫ টা আঞ্চলিক পঞ্চায়ত, ৮৪ খন গাঁও পঞ্চায়ত আৰু ৮৪০ টা ৱাৰ্ডৰ বাবে নিৰ্বাচন অনুষ্ঠিত হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

# আইপিএলৰ ব্যৰ্থ খেলুৱৈৰ তালিকাৰ শীৰ্ষত ঋষভ

**কলকাতা, ৬ মে':** আই পি এল ২০২৫ প্লে অফক লৈ এতিয়া সমগ্ৰ দেশত বিৰাজ কৰিছে ক্ৰিকেট উত্তেজনাই। এই আইপিএলত ইতিমধ্যেই অনন্য নজিৰ গঢ়িছে বহু ক্ৰিকেটাৰে। বিশেষকৈ বৈভৱ সূৰ্যবংশীৰ দৰে নতুন প্ৰতিভাই এইবাৰ দৃষ্টি আকৰ্ষণ কৰিছে ক্ৰিকেট প্ৰেমীৰ। কিন্তু ইয়াৰ বিপৰীতে ব্যৰ্থ হৈছে বহু নামী-দামী তাৰকা ক্ৰিকেটাৰো। আইচলেণ্ড ক্ৰিকেটে এই ব্যৰ্থ ক্ৰিকেটাৰৰ সৈতে প্ৰকাশ কৰিছে এটা ধেমেলীয়া একাদশ, যাৰ নাম দিয়া হৈছে 'ফ্ৰ'ডছ এণ্ড স্কেম টীম'। লক্ষ্যণীয়ভাৱে এই দলৰ অধিনায়ক সজোৱা হৈছে ঋষভ পন্টক। এই তালিকাত আছে ৰাহুল ত্ৰিপাঠী (চিএছকে, ৫ মেচত ৫৫ ৰান, মূল্য ৩.৪০ কোটি), ৰাচিন ৰবিন্দ্ৰ (চিএছকে, ৮ মেচত ১৯১ ৰান, মূল্য ৪ কোটি), ঈশান কিষাণ (ছানৰাইজাৰ্চ, ১১মেচত ১৯৬ ৰান, মূল্য ১১.২৫ কোটি), ঋষভ পন্ত (লক্ষ্ণৌ, ১১ মেচত ১২৮ ৰান, মূল্য ২৭ কোটি), ভেংকটেশ আয়াৰ (কেকেআৰ, ১১ মেচত ১৪২ ৰান, মূল্য ২৩.৭৫ কোটি), গ্লেন মেক্সৱেল (পাঞ্জাব, ৭ মেচত ৪৮ ৰান, মূল্য ১৪.০২ কোটি), লিয়াম লিভিংষ্টন (আৰচিবি, ৭ মেচত ৮৭ ৰান, মূল্য ৮.৭৫ কোটি), দীপক হুদা (চিএছকে, ৬ মেচত ৩১ ৰান, মূল্য ১.৭০ কোটি), ৰবিচন্দ্ৰন অশ্বিন (চি এছ কে, ৭ খন মেচত ৫ উইকেট, মূল্য ৯.৭৫ কোটি)ৰ দৰে খেলুৱৈ।

# আন্তঃস্কুল দবাত বৰপেটাৰ বৰ্ষাৰ সাফল্য

**বৰপেটা, ৬ মে':** গুৱাহাটীত সামৰণি পৰা উত্তৰ পূব আন্তঃস্কুল দবা চেম্পিয়নশ্বিপত বৰপেটাৰ বৰ্ষা ওজাই ছোৱালী শাখাত দ্বিতীয় শ্ৰেষ্ঠ স্থান অৰ্জন কৰিবলৈ সক্ষম হৈছে। দহ বছৰ বয়সীয়া বৰ্ষাই ইতিমধ্যে ৰাজ্যৰ বহুকেইখন দবা প্ৰতিযোগিতাত দৰ্শনীয় প্ৰদৰ্শনেৰে সাফল্য অৰ্জন কৰিছে। বৰ্ষা বৰ্তমান বৰপেটাৰ কিংছ গাম্বীত দবা একাডেমীৰ শিক্ষাৰ্থী। আনহাতে খেলখনত দলীয়ভাৱে বৰপেটাৰ কিংছ গাম্বীত দিবা একাডেমীয়ে দ্বিতীয় স্থান অধিকাৰ কৰিছে। খেলখনত বৰপেটাৰ কিংছ গান্ধীত দবা একাডেমীৰ খেলুৱৈসকল হৈছে বৰ্ষা ওজা, নিবিড় নয়ন দাস, প্ৰাংশুপ্ৰতিম পাঠক, জীৱাংশু সৰকাৰ, ৰোহণ খেৰকটাৰী, ধৃতিমান দাস, বৰ্ণিল দাস।




আইপিএল ২০২৫: মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে উইকেট আপীল গুজৰাট টাইনাছৰ ৰাছিদ খানৰ, মঙলবাৰে

## 'মই মাথো সমালোচনা-বিহীন ক্ৰিকেট খেলিব বিচাৰিছিলো'

# আইপিএলৰ ব্যৰ্থ দল আৰচিবি ত্যাগ নকৰাৰ ৰহস্য ক'লে কোহলিয়ে

**মুম্বাই, ৬ মে':** বিৰাট কোহলিৰ অধিনায়ক পদ ত্যাগক লৈ এসময়ত সৃষ্টি হৈছিল তুমুল বিতৰ্কৰ। ২০২২ চনত হঠাতে টেষ্টৰ অধিনায়কৰ পদৰ পৰা অৱসৰ লৈছিল কোহলিয়ে। তাৰ পিছত তেওঁক এদিনীয়া নেতৃত্বৰ পৰা আঁতৰাই দিয়া হয়। আনহাতে, ২০২১ চনত ৰয়েল চেলেঞ্জাৰছ বেংগালুৰু (আৰচিবি)ৰ অধিনায়ক পদ ত্যাগ কৰিছিল কোহলিয়ে। কিন্তু নেতৃত্ব ত্যাগ কৰাৰ সিদ্ধান্ত কিয়? শেহতীয়াকৈ কোহলিয়ে এই বিষয়ে মুকলিকৈ কয়। লগতে তেওঁ কয় যে তেওঁ এবাৰ আৰচিবি এৰি যোৱাৰ কথাও ভাবিছিল। আৰচিবিৰ এক প'ডকাষ্টত কোহলিয়ে কয়, "মই আগতেও কৈছো। মই নিজকে আৰু পৰীক্ষা কৰিব বিচাৰিছিলো। ২০১৬ চনৰ পৰা ২০১৯ চনৰ ভিতৰত মোৰ দল সলনি কৰাৰ কেইবাটাও সুযোগ আছিল। এটা সময়ত মোৰ বাবে সকলো সিদ্ধান্ত লোৱাটো কঠিন হৈ পৰিছিল। কাৰণ একেলগে ইমানবোৰ কথা হৈছিল। মই ৭-৮ বছৰ ভাৰতৰ নেতৃত্ব দিছিলো। মই ৯ বছৰ ধৰি আৰচিবিৰ অধিনায়ক আছিলো। মোৰ ওপৰত যথেষ্ট আশা আছিল। ক্ৰিজত নামি মই বেটেৰে ভাল প্ৰদৰ্শনো কৰিব লাগিছিল।" খেলপথাৰত কোহলিৰ প্ৰৱেশ মানে আগ্ৰাসন। অধিনায়কত্বৰ সময়ত তেওঁৰ আগ্ৰাসনক লৈও বিতৰ্কৰ সৃষ্টি হৈছিল। কিন্তু অহৰহ আশাৰ চাপে তেওঁৰ খেলত প্ৰভাৱ পেলাইছিল। কোহলিয়ে কয়, "মই সদায় অনুভৱ কৰিছিলো যে সকলোৱে মোক চাই আছে। মই কি কৰিব লাগে নাজানিছিলো? ই বৰ কঠিন হৈ আহিছিল। মই এটা কথা জানিছিলো, মই সুখী হ'ব লাগিব। মই সকলোৰে সমালোচনা নোহোৱাকৈ ক্ৰিকেট খেলিব বিচাৰিছিলো।" আনকি কোহলিয়ে এবাৰ আৰচিবি এৰি যোৱাৰ কথাও ভাবিছিল। ভাৰতৰ হৈ বহু ট্ৰফী জয় কৰাৰ পিছতো আইপিএলৰ ট্ৰফী এতিয়াও জয় কৰিব পৰা নাই আৰচিবিয়ে। সেই ট্ৰফী জিকিবলৈ আপুনি আৰচিবি এৰি যাব বিচাৰিছিল নেকি? কোহলিয়ে কয়, "মই আগতে নিজকে প্ৰশ্ন কৰিছিলোঁ, 'মই ভাৰতৰ হৈ ইমান জিকিছো। এতিয়া মোৰ বাবে কি আটাইতকৈ গুৰুত্বপূৰ্ণ?' মই অনুভৱ কৰিছিলো যে সময়ৰ লগে লগে যি সম্পৰ্ক আৰু সন্মানৰ স্থান গঢ় লৈ উঠিছে সেয়া বহুত বেছি গুৰুত্বপূৰ্ণ।"




বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি